# শীতকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ২০/১২/২০২১ সোমবাৰ

আজি ইংৰাজী ২০-১২-২০২১ তাৰিখে অসম বিধান সভাৰ শীতকালীন অধিৱেশনৰ কাৰ্য্যসূচী মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত পূৰ্বনিৰ্ধাৰিত সময়সূচী মতে পুৱা ৯.৩০ বজাৰ পৰা অনুষ্ঠিত হয়। মাননীয় অধ্যক্ষ মহোদয় সদনত প্ৰৱেশ কৰাৰ লগে লগে ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত বাজি উঠে।

**মৃত্যু প্ৰসঙ্গ**

পঞ্চদশ অসম বিধান সভাৰ দ্বিতীয় অধিৱেশন সমাপ্তিৰ পৰা আজি ইংৰাজী ২০-১২-২০২১ তাৰিখে তৃতীয় তথা শীতকালীন অধিৱেশন অনুষ্ঠিত হোৱালৈকে এই কালছোৱাৰ ভিতৰত ৰাজ্য তথা দেশৰ বিভিন্ন ক্ষেত্ৰলৈ বিশেষ বৰঙণি আগবঢ়োৱা ভালে কেইগৰাকী বৰেণ্য ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটে। তেখেত সকল হ'ল ঃ

| | | |
|---|---|---|
| ১) আব্দুল মুহিব মজুমদাৰ | - | প্ৰাক্তন মন্ত্ৰী |
| ২) পানীৰাম ৰাভা | - | প্ৰাক্তন বিধায়ক |
| ৩) ছাদিদ মজুমদাৰ | - | প্ৰাক্তন বিধায়ক |
| ৪) অতুল কুমাৰ শৰ্মা | - | প্ৰাক্তন বিধায়ক |
| ৫) অস্কাৰ ফাৰ্ণণ্ডেজ | - | প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী |
| ৬) বিপিন লক্ষম সিং ৰাৱাট | - | ভাৰতীয় সেনা বাহিনীৰ সৰ্বাধিনায়ক |

**১) আব্দুল মুহিব মজুমদাৰ ঃ** ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী জ্যেষ্ঠ অধিবক্তা তথা প্ৰবীণ আইনজ্ঞ আব্দুল মুহিব মজুমদাৰৰ যোৱা ইংৰাজী ৩ নৱেম্বৰ, ২০২১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। ১৯৩২ চনৰ জন্ম গ্ৰহণ কৰা মজুমদাৰ ডাঙৰীয়াই ১৯৮৩, ১৯৯৬ আৰু ২০১১ চনলৈ চাৰিবাৰকৈ হাইলাকান্দি বিধান সভা সমষ্টিৰ পৰা অসম বিধান সভালৈ নিৰ্বাচিত হৈছিল আৰু ১৯৮৩ চনৰ পৰা ১৯৮৫ চনলৈ ৰাজ্য চৰকাৰৰ মন্ত্ৰী সভাত আইন, শক্তি আদি কেইবাটাও গুৰুত্বপূৰ্ণ বিভাগৰ কেবিনেট মন্ত্ৰী আৰু ১৯৯৬ চনৰ পৰা ২০০১ চনলৈ জলসিঞ্চন বিভাগৰ কেবিনেট মন্ত্ৰী হিচাবে একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে ৰাজ্যখনলৈ সেৱা আগবঢ়াই থৈ গৈছে। তেখেতে ১৯৮৬ চনৰ পৰা ১৯৯১ চনলৈ অসম বিধান সভাৰ বিৰোধী দলৰ উপ-দলপতিও আছিল। তদুপৰি তেখেতে এগৰাকী আইনজ্ঞ হিচাপেও ১৯৮০ চনৰ পৰা ১৯৮৩ চনলৈ অসমৰ আৰু ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈ অৰুণাচল প্ৰদেশৰ মহাবিক্তাৰূপে গুৰু দায়িত্ব পালন কৰাৰ লগতে জীৱন কালত বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত আছিল।

**২) পানীৰাম ৰাভা ঃ** প্ৰাক্তন বিধায়ক তথা নিষ্ঠাৱান সমাজকৰ্মী পানীৰাম ৰাভাৰ যোৱা ইংৰাজী ১৮ ছেপ্তেম্বৰ, ২০২১ তাৰিখে দেহাৱসান ঘটে। ১৯৫৪ চনত জন্ম গ্ৰহণ কৰা ৰাভা ডাঙৰীয়াই ১৯৯১ চনত অসম গণ পৰিষদৰ দলৰ প্ৰাৰ্থীৰূপে আৰু ২০০১ চনত কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে বৰমা বিধান সভা সমষ্টিৰ পৰা অসম বিধান সভালৈ নিৰ্বাচিত হৈ এগৰাকী নিষ্ঠাৱান বিধায়ক ৰূপে বৰমা সমষ্টিৰ সৰ্বাঙ্গীন উন্নয়নৰ ক্ষেত্ৰত কাম কৰাৰ লগতে ৰাজ্যখনৰ আৰ্থ-সামাজিক উন্নয়নৰ দিশতো উল্লেখনীয় অৰিহণা আগবঢ়াই থৈ গৈছে।

**৩) ছাদিদ মজুমদাৰ ঃ** প্ৰাক্তন বিধায়ক ছাদিদ মজুমদাৰ যোৱা ইংৰাজী ১৫ নৱেম্বৰ ২০২১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। ১৯৮৯ চনত জন্ম গ্ৰহণ কৰা মজুমদাৰ ডাঙৰীয়াই ২০০১ চনত এন চি পি দলৰ

প্ৰাৰ্থীৰূপে পূব-গোৱালপাৰা বিধান সভা সমষ্টিৰ পৰা অসম বিধান সভালৈ নিৰ্বাচিত হৈ সমষ্টিটোৰ লগতে ৰাজ্যখনৰ আৰ্থ-সামাজিক উন্নয়নৰ দিশত উল্লেখনীয় অৰিহণা আগবঢ়াইছিল। ছাত্ৰ অৱস্থাৰ পৰা সমাজ সেৱাত ব্ৰতী হোৱা মজুমদাৰ ডাঙৰীয়াই বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতো জড়িত থাকি নিষ্ঠা আৰু ঐকান্তিকতাৰে সেৱাৰ বৰঙণি আগবঢ়াই আছিল।

**৪) অতুল কুমাৰ শৰ্মা ঃ** প্ৰাক্তন বিধায়ক অতুল কুমাৰ শৰ্মাৰ যোৱা ইংৰাজী ৩০ নৱেম্বৰ ২০২১ তাৰিখে দেহাৱসান ঘটে। ১৯৫৭ চনত জন্ম গ্ৰহণ কৰা শৰ্মা ডাঙৰীয়াই ছাত্ৰ অৱস্থাৰ পৰাই সমাজ সেৱাত ব্ৰতী হৈ ১৯৯৬ চনত অসম গণ পৰিষদ দলৰ প্ৰাৰ্থীৰূপে চামগুৰি বিধান সভা সমষ্টিৰ পৰা অসম বিধান সভালৈ নিৰ্বাচিত হৈ এগৰাকী সুদক্ষ বিধায়ক ৰূপে ৰাজ্যখনৰ সামাজিক উত্তৰণৰ ক্ষেত্ৰখনত উল্লেখযোগ্য ভূমিকা পালন কৰিছিল।

**৫) অস্কাৰ ফাৰ্ণণ্ডেজ ঃ** প্ৰবীণ ৰাজনৈতিক নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী অস্কাৰ ফাৰ্ণণ্ডেজৰ যোৱা ইংৰাজী ১৩ ছেপ্তেম্বৰ ২০২১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। ১৯৪১ চনত জন্ম গ্ৰহণ অস্কাৰ ফাৰ্ণণ্ডেজ ডাঙৰীয়াই ১ জুলাই ১৯৯৮ চনৰ পৰা ১৩ ছেপ্তম্বৰ ২০২১ চনলৈ ৰাজ্যসভালৈ আৰু ১৮ জানুৱাৰী ১৯৮০ চনৰ পৰা ১৯৯৬ চনলৈ লোকসভালৈ নিৰ্বাচিত হৈছিল। এগৰাকী ৰাজনৈতিক নেতাৰূপে তেখেতে কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী সভাত শ্ৰম আৰু নিয়োগ বিভাগকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ বিভাগৰ মন্ত্ৰীৰূপে দায়িত্ব পালন কৰি দেশখনৰ আৰ্থ-সামাজিক উন্নয়নৰ দিশত উল্লেখযোগ্য অৱদান আগবঢ়াই থৈ গৈছে।

**৬) সেনা সৰ্বাধিনায়ক জেনেৰেল বিপিন লক্ষণ সিং ৰাৱাট ঃ** ভাৰতৰ প্ৰথম গৰাকী সশস্ত্ৰ বাহিনীৰ চীফ অৱ ডিফেন্স ষ্টাফ জেনেৰেল বিপিন লক্ষম সিং ৰাৱাটৰ যোৱা ইংৰাজী ৮ ডিচেম্বৰ ২০২১ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। ১৯৫৮ চনত জন্ম গ্ৰহণ কৰা ৰাৱাট ডাঙৰীয়াই দেশৰ প্ৰথম গৰাকী চীফ অৱ ডিফেন্স ষ্টাফ হিচাপে খ্যাতি অৰ্জন কৰিছিল। তেখেতে ২০১৯ চনত চি ডি এছ হিচাবে দায়িত্ব গ্ৰহণ কৰি দেশখনৰ প্ৰতিৰক্ষা দিশত অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে। তেখেতে ১৯৭৮ চনত গোৰ্খা ৰাইফলছৰ ৫ ম বেটেলিয়ানত নিযুক্তিৰে নিযুক্তিৰে সেনাবাহিনীত আত্মনিয়োগ কৰি পৰৱৰ্তী সময়ত দেশৰ সেনাবাহিনীৰ ২৭ সংখ্যক মুৰব্বী হিচাবে দায়িত্ব পালন কৰাৰ লগতে সেনাবাহিনীত কেইবাটাও শীৰ্ষ পদবীৰ দায়িত্ব গ্ৰহণ কৰি দক্ষতাৰে দেশ মাতৃলৈ সেৱা আগবঢ়াইছিল।

তেখেত সকলৰ লগতে আৰু আমাৰ দেশ তথা ৰাজ্যখনৰ ভালে কেইগৰাকী বৰেণ্য ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটিছে।

| | | |
|---|---|---|
| ৭) পি পি বাৰ্মা | - | ৰাজ্য চৰকাৰৰ অৱসৰপ্ৰাপ্ত মুখ্য সচিব |
| ৮) নীলনাথ বৰুৱা | - | অৱসৰপ্ৰাপ্ত আই এ এছ বিষয়া |
| ৯) দিলীপ বৰঠাকুৰ | - | অৱসৰপ্ৰাপ্ত আই এ এছ বিষয়া |
| ১০) নিলয় দত্ত | - | প্ৰখ্যাত আইনজ্ঞ তথা অৰুণাচল প্ৰদেশৰ মহাধিবক্তা |
| ১১) ড° দেৱদত্ত বৰকটকী | - | বিশিষ্ট শিক্ষাবিদ তথা ভাৰতীয় জনতা পাৰ্টীৰ জ্যেষ্ঠ নেতা |
| ১২) ভৱেশ বৰুৱা | - | প্ৰবীণ সাংবাদিক, আপকুৰ প্ৰতিষ্ঠাপক সম্পাদক |
| ১৩) বৰুণ দাশগুপ্ত | - | প্ৰবীণ সাংবাদিক |
| ১৪) ড° বাণীকান্ত শৰ্মা | - | গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক |
| ১৫) ড° ৰবীন্দ্ৰনাথ দেৱ চৌধুৰী | - | পুৰাতত্ত্ববিদ তথা ইতিহাসবিদ |
| ১৬) গিৰিপদ দেৱ চৌধুৰী | - | বিশিষ্ট লেখক, অনুবাদক তথা বিশিষ্ট গ্ৰন্থ প্ৰকাশক |
| ১৭) মহেন্দ্ৰ চন্দ্ৰ ভূঞা | - | বিশিষ্ট শিক্ষাবিদ, অধ্যাপক তথা গুৱাহাটী বিশ্ববিদ্যালয় প্ৰাক্তন পঞ্জীয়ত |
| ১৮) শিৱসিংহ কোঁৱৰ | - | বিশিষ্ট শিক্ষাবিদ |
| ১৯) সনন্ত তাঁতী | - | বিশিষ্ট কবি ও বিশিষ্ট সাহিত্যিক |
| ২০) ভবেন বৰা | - | বিশিষ্ট নাট্যশিল্পী, অভিনেতা তথা নিবন্ধকাৰ |
| ২১) জগন্নাথ বায়ন | - | সংগীত নাটক বঁটাপ্ৰাপ্ত বিশিষ্ট সত্ৰীয়া শিল্পী |

| | | |
|---|---|---|
| ২২) সুমন স্বৰ্গীয়াৰী | - | অসম ৰাইফলছৰ বীৰ জোৱান |
| ২৩) ড° নন্দিনী বৰুৱা | - | প্ৰসিদ্ধ আন্তঃৰাষ্ট্ৰীয় টেবুল টেনিছ তাৰকা তথা ক্ৰীয়া সংগঠন |
| ২৪) দানসৌৰাং নাৰ্জাৰী | - | ৰাষ্ট্ৰীয় কিক বক্সি খেলুৱৈ |

অতি দুখ আৰু ব্যথিত হৃদয়ৰে আজি অসম বিধান সভাৰ পৱিত্ৰ মজিয়াত বৰেণ্য ব্যক্তিসকলৰ বিয়োগত শোক প্ৰকাশ কৰিছোঁ।

এতিয়া প্ৰয়াত লোক সকলৰ পৱিত্ৰ স্মৃতিত আৰু তেখেত সকলৰ বিদেহ আত্মাৰ সদ্‌গতি আৰু চিৰশান্তি কামনা কৰি ক্ষন্তেক সময় থিয় হৈ মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্য-সদস্যা সকলৰ প্ৰতি মই অনুৰোধ জনালোঁ।

শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ অসম বিধান প্ৰধান সচিব ডাঙৰীয়াই সদনৰ এই শোক প্ৰস্তাৱৰ প্ৰতিলিপি প্ৰেৰণ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং **১**, মাননীয় সদস্য শ্ৰী লৰেন্স ইছলাৰী।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি উত্তৰখিনি পোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** উত্তৰখিনি সদনৰ বাহিৰত থকা ল'বি দুয়োটাতে ৰখা আছে। আপোনালোকে তাৰ পৰা সংগ্ৰহ কৰিব পাৰিব।

**শ্ৰী পিয়ুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী লৰেন্স ইছলাৰী (কোকৰাঝাৰ)** ঃ (বড়ো ভাষাত আৰম্ভ কৰে)

(Interpretor's system ক লৈ সদনত খেলিমেলিৰ সৃষ্টি হয়)

**মাননীয় অধ্যক্ষ** ঃ Interpretor's system ব্যৱস্থা লোৱা হৈছে। সদনত মন্ত্ৰী, বিধায়ককে ধৰি সকলোকে Head phone দিয়া হৈছে। device ত language selection ৰ কাৰণে option আছে। এতিয়া অকল বড়ো, অসমীয়া আৰু ইংৰাজীৰ ব্যৱস্থা আছে। বংলা আৰু হিন্দীৰ কাৰণে আগন্তুক দিনলৈ ব্যৱস্থা কৰা হ'ব।

মই সন্মানীয় সদনক অৱগত কৰিব খুজিছো, এইবাৰৰ পৰা আমি Interpretor's system ৰ ব্যৱস্থাটো আৰম্ভ কৰিছোঁ। ইয়াত খুতি নাতি প্ৰথম বাৰৰ কাৰণে বহুতো থাকিব পাৰে। Interpretor's system ব্যৱস্থা কৰা মানুহখিনিও নতুন অভিজ্ঞ। বিধান সভাৰ সকলো বিষয়াৰ কাৰণে নতুন অভিজ্ঞতা। বিধায়ক সকলৰ বাবে নতুন অভিজ্ঞতা। গতিকে আপোনালোকে এই system টো ব্যৱহাৰ কৰাত অসুবিধা পাইছে। system টো off - on switch আছে। সোঁফালে language selector আছে। বাওঁফালে sound volum আছে। যিটো up & down কৰি মিলাই ল'ব পাৰে। আৰু **১** নম্বৰ channel ত বড়ো ভাষাত হ'ব। **২**য় নম্বৰ channel ত অসমীয়া ভাষাত হ'ব আৰু **৩** নম্বৰ channel ত ইংৰাজী ভাষাত হ'ব।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে বুলি কৈছে। কিন্তু উত্তৰখিনি আমাৰ টেবুলত পোৱা নাই। উত্তৰখিনি ল'বিত আছে, তাতো আমি বিচাৰি পোৱা নাই।

**শ্ৰী পিয়ুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ পিছত উত্তৰ সদনৰ ল'বিত ৰখাৰ কথা ক'ম।

**মাননীয় অধ্যক্ষ ঃ** মই ক'ব খুজিছো বৰ্তমানৰ আমাৰ বিধান সভাখন লাহে লাহে উন্নত কৰিব লাগিব। দেশখন এতিয়া paperless ৰ ফালে আগবাঢ়িব লাগে বুলি কৈছে। Digital India ৰ কথাটো কোৱা হৈছে। আমি ইয়াত চেষ্টা কৰিছো। মই সেই কাৰণে কথাটো কৈছো, আমাৰ সকলোৰে বাবে এইটো এটা নতুন ব্যৱস্থা আৰম্ভ কৰিছো। আৰম্ভ কৰিবলৈ যাওঁতে কিছুমান বিসংগতি থাকি যাবে। এইটো লাহে লাহে সমাধান কৰাৰ চেষ্টা কৰিম।

আমাৰ বিধায়ক সকলৰ টেবুলত ৰিপোৰ্ট আদিকে ধৰি প্ৰশ্নবোৰৰ উত্তৰবোৰ বহুত ৰখা থাকে। গতিকে সেইবোৰ এইবাৰ বিধায়ক সকলৰ টেবুলত নাৰাখি দুয়োটা ল'বিৰ এটা আলমাৰিত **১ নম্বৰ** পৰা **২০ নম্বৰলৈকে** প্ৰশ্নবোৰৰ উত্তৰ ৰখা আছে box by box, আপোনালোকে তাৰ পৰা ল'ব পাৰে। এইবাৰ বিধান সভাৰ পৰা অভ্যাস হওঁক বুলিয়ে উত্তৰবোৰ ল' বিত ৰখাৰ ব্যৱস্থা কৰা হৈছে। সকলোকে জনোৱা হৈছিল, Notice ত সেইটো ওলাল নে নোলাল মই নাজানো। আপোনালোকে সদনত প্ৰৱেশ কাৰৰ আগতে আপোনালোকৰ নিজৰ দৰকাৰী প্ৰশ্নৰ উত্তৰতো আনি অধ্যায়ন কৰিব পাৰিব আৰু supplementary কৰিব পাৰিব। অসম বিধান সভা উন্নত কৰিব খোজা কথাটো সকলোৰে কাৰণে হয়তো গ্ৰহণ যোগ্য নহ'বও পাৰে। Digitalize কৰিব খুজাটো হয়তো মোৰ ভুল ধৰণা হ'ব পাৰে সদনৰ। মই এতিয়া অনুৰোধ কৰিছো যে আজিৰ কাৰণে যিবোৰ প্ৰশ্নৰ উত্তৰ আছে সদনৰ মজিয়াত বিতৰণ কৰি দিয়ক আৰু প্ৰশ্নটো চলি থাকিবলৈ দিয়ক ।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইখিনি আমি আপত্তি কৰা নাই। কিন্তু আপুনি যেনেধৰণে কৈছে ল'বিত টেবুলত থকা কথাটো, তেনেকুৱা ধৰণে পোৱা নাই। এখন টেবুলতে আছে, বাকী খিনি অকনমান বেলেগ ফালে আছে। আপুনি নিজে চাই আহিব পাৰে।

**মাননীয় অধ্যক্ষ** ঃ মই নিশ্চয়কৈ ইয়াৰ তদন্ত কৰিম।

**শ্ৰী পিয়ুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি এই বিষয়ে BAC মিটিঙত আলোচনা কৰিছিলো। কিন্তু মই এটা input দিওঁ, নতুন কিবা এটা কাম আৰম্ভ হলে মানুহখিনিয়ে সচাৰাচৰ যি ধৰণে চলি আছিল, অলপ অসুবিধা হ'ব। অলপ দিন দুয়োটা পদ্ধতিত কৰা হওঁক আৰু লাহে লাহে কোৱা হওঁক যে digitalize য়ে কৰা হ'ব।

**মাননীয় অধ্যক্ষ** ঃ বৰ্তমান দুয়োটাই চলোৱা হৈছে। কিন্তু কৰবাত বিসংগতি হৈছে। হয়তো সন্মানীয় বিধায়কসকলে জনা নাছিল কাৰণে তেখেতসকলৰ websit টো চোঁৱা নাছিল।

এতিয়া মই সন্মানীয় বিধায়ক শ্ৰী লৰেন্স ইছলাৰীক প্ৰশ্ন উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী লৰেন্স ইছলাৰী (পূৱ কোকৰাঝাৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ জনাইছো, কিয়নো আপুনি কথা দিয়াৰ ধৰণে শীতকালীন অধিবেশনৰ পৰা বড়ো ভাষা এই পবিত্ৰত সদনত কোৱাৰ সুবিধা কৰি দিয়াৰ বাবে। সদৌ বড়ো ৰাইজৰ হৈ মই আপোনাৰ জৰিয়তে অসমৰ মাননীয় মুখমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছোঁ।

অধ্যক্ষ মহোদয়, মাননীয় খিলঞ্জীয় আৰু জনজাতি লোক বিশ্বাস আৰু সংস্কৃতি বিভাগৰ মন্ত্ৰীৰ পৰা এই কথা জানিব বিচাৰিছো যে, প্ৰাচীন সময়ৰে পৰা অসমৰ খিলঞ্জীয় ভূমিপুত্ৰ বড়ো সকলে বিভিন্ন দিশত চহকী যেনে - খেল-ধেমালী, গীত-মাত, বয়ন শিল্প, কলা-সংস্কৃতি ইত্যাদি। এওঁবোৰ সংৰক্ষণৰ বাবে চৰকাৰে কিবা ব্যৱস্থা কৰিব নে ?

**মাননীয় অধ্যক্ষ** ঃ- Hon'ble Minister.

**শ্ৰীপিযুষ হাজৰিকা (মন্ত্ৰী)** ঃ- অধ্যক্ষ ডাঙৰীয়া, আমি সকলোৰে জানো যে অসম চৰকাৰে "Indigenous and Tribal Faith and Culture Department" বুলি নতুন বিভাগ

আৰম্ভ কৰিছো। যিহেতু এইটো নতুন বিভাগ আৰু আমাৰ সদনত আজি প্ৰথম আলোচনা হৈছে তাৰ বিষয়ে অলপ মই ক'ব খুজিছো। আমাৰ নটিফিকেশ্যনত কি কি আছে আৰু ইয়াৰ লক্ষ্য আৰু উদ্দেশ্য কি এই বিষয়ে সংক্ষেপে ক'ব ওলাইছো। The Government of Assam vide Notification No. AR.38/2021/34, dated 10/07/2021 has created a new department namely "Indigenous and Tribal Faith and Culture Department".The mandate of the Department are : To act as nodal Department for the promotion, formulation and implementation of policies and programmes for the welfare and all-round development of the indigenous tribal people of the State. The Department will look after the proper implementation of the Acts related with the protection of the tribal people in the State. The Department will also be responsible for the protection, preservation of the indigenous faith and culture of the tribal people of the State by virtue of various means viz by compilation in book formats(both hard and soft formats), in academic libraries/digital libraries, through regular promotional activities, podcasting/vodcasting methods etc. To ensure provision of adequate funds under various schemes/ programmes for the holistic activities in the protection and preservation of the indigenous tribes of the State. To explore scope for using the indigenous tribal knowledge in other fields like healthcare, education, agriculture, culture etc. Efforts should be made to link and incorporate new knowledge with ethnic characteristics. To help incorporate/monitor schemes and programmes implemented exclusively for the protection and preservation of the indigenous tribes of the State. To identify the problems/lacunae/obstacles regarding the protection and preservation of the indigenous tribes of the State and suggest remedial measures. To take up such other activities as may be entrusted by the State Government from time to time . As per the mandate of the Department, the Department will take steps to preserve the various fields like playing dancing, weaving, playing instruments of the indigenous people of Assam including the Bodo people. অধ্যক্ষ ডাঙৰীয়া, সদস্য গৰাকীয়ে কৈছে যে বড়ো সকল indigenous হয়, তেখেতসকলৰ playing dancing, weaving এই যিখিনি সম্পদ আছে সেই বিভাগটোৰ দ্বাৰা সংৰক্ষিত হ'ব লাগিব। অধ্যক্ষ ডাঙৰীয়া indigenous মানুহৰ কাৰণে প্ৰত্যেকখন চৰকাৰে কাম কৰাটো জৰুৰী। পৃথিবীৰ বহুত অঞ্চল, ৰাজ্য বা দেশত আমি দেখা পাওঁ, যিসকল ভূমিপুত্ৰ তেওঁলোকৰ সুৰক্ষাত সংশয় হয়, ভূমিপুত্ৰৰ সংখ্যা কমি যায় , ভূমিপুত্ৰৰ ঠাই বেলেগে দখল কৰি যায়, অসমতো সেইবিলাক কথা আমি দেখি আছো। সেই কাৰণে আমি ভূমিপুত্ৰ সকলৰ faith,

culture সংৰক্ষণ কৰিবলৈ এই বিভাগটো আমি খোলাৰ ব্যৱস্থা কৰিছো। এই বিভাগৰ যিখিনি বিশ্বাস, যিখিনি ধৰ্মীয় অনুষ্ঠান, সেইখিনিৰ লগত আমি এই "Indigenous and Tribal Faith and Culture Department" ৰ লগত জড়িত কৰিম। কিন্তু আমাৰ যিখিনি dancing কথা আছে weaving ৰ কথা আছে, যিহেতু আমাৰ Culture Department" টো আছেই সেইখিনি আমাৰ Culture Department"য়ে চাব। weaving ৰ কথাটো আছে, তাৰ কাৰণে আমাৰ Handloom and Textile Department আছে, সেইবোৰ সেই বিভাগে চাব, আৰু কিছুমান কথা WPT & BC Department টোৱে চাব। গতিকে আমাৰ এই তিনিওটা বিভাগ মিলি চাব। আমাৰ নতুন Indigenous Faith and Culture Department" টোৰ অধীনত সংৰক্ষিত কৰা হ'ব।

**মাননীয় অধ্যক্ষ** ঃ- 2nd Supplimentary

**শ্ৰী লৰেঞ্চ ইছলাৰী (কোকৰাঝাৰ পূৱ)** ঃ- বড়ো ভাষাত---

**মাননীয় অধ্যক্ষ** ঃ- মাননীয় মন্ত্ৰী

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী**ঃ- অসমীয়াটো অহা নাই চাৰ,

**মাননীয় অধ্যক্ষ** ঃ- অসমীয়াতে কওঁক।

**শ্ৰী লৰেঞ্চ ইছলাৰী (কোকৰাঝাৰ পূৱ)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে বড়োসকলৰ যি Indigenous খেল ঘিলাখেলা, এইটো যি সংস্থাই এতিয়ালৈকে ধৰি ৰাখিছে, তেওঁলোকে সংৰক্ষণ কৰি আছে, তেওঁলোকৰ লগত যাতে যোগা-যোগ কৰা হয়, তেনেকুৱা আৰু বহুত পুৰণি খেল আছে, আৰু চৰকাৰৰ ফালৰ পৰা সংৰক্ষণৰ ব্যৱস্থা আৰু এই খেলবোৰ আৰু যাতে ভালকৈ প্ৰচলন হয়, তাৰ কাৰণে যাতে ব্যৱস্থা কৰে, এইখিনিকে মই মন্ত্ৰী মহোদয়ৰ ওচৰত আহ্বান জনাইছো।

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী)**ঃ- ভূমিপুত্ৰহ সকলৰ কৃষ্টি-সংস্কৃতি, ধৰ্মীয় ৰীতি-নীতি সেই সমূহ সংৰক্ষণ কৰাৰ কাৰণে যথেষ্ট কৰিবলগীয়া আছে। সেই কাৰণে এই বিভাগটো প্ৰথমবাৰৰ কাৰণে আমাৰ চৰকাৰে বনোৱাৰ আমি যো-যা কৰিছো, আৰু আমি এই বিভাগটো আৰম্ভ কৰিছো। মই আকৌ কৈছো, যে Indigenous মানুহখিনিৰ আশা, আকাংক্ষা, অনুভূতিৰ প্ৰতি আমাৰ চৰকাৰখন অত্যন্ত চিৰিয়াছ আৰু আমি ভূমিপুত্ৰৰ সংৰক্ষণ আৰু ভূমিপুত্ৰক শক্তিশালী কৰিবলৈ এই চৰকাৰখনে কাম কৰিম বুলি সদায় প্ৰতিশ্ৰুতি দি আহিছো। আমি তাৰ কাৰণে এই Indigenous Faith and Culture Department" টো আৰম্ভ কৰিছো। গতিকে জিলাই জিলাই বা আমাৰ অসমৰ প্ৰত্যেকটো অঞ্চলৰ সেই ভূমিপুত্ৰসকলৰ যি Faith and Culture এইবিলাক সংৰক্ষিত কৰিবলৈ চিৰিয়াছ ষ্টেপ আমাৰ চৰকাৰে ল'ব।

**মাননীয় অধ্যক্ষ** ঃ- ধন্যবাদ। শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰো, কোন কোন জাতি-জনগোষ্ঠীক Indigenous বুলি কোৱা হৈছে বা IndigenousTribal সকলৰ বাবেহে নেকি অকল নে দুয়োটা বেলেগ বেলেগকৈ। এটাক Indigenous কোন কোন জাতি-জনগোষ্ঠী আৰু Indigenous Tribe বুলি কোনসকলক কোৱা হৈছে। অলপমান confusion হৈছে।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীপীযুষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Indigenous মানুহ সকলক আমিতো

জানোৱেই। Indigenous টো আমি এতিয়া আমাৰ কিছুমান কথা ক'লে বিতৰ্ক হ'ব। আজি প্ৰথম আৰম্ভ হৈছে মই ক'ব খোজা নাই। আজি যদি বড়োসকলৰ কথাত আমি Indigenous হয় নে নহয় প্ৰশ্ন কৰো, কাৰ্বিসকল যদি Indigenous হয় নে নহয় প্ৰশ্ন কৰো, মিচিংসকল যদি Indigenous হয় নে নহয় প্ৰশ্ন কৰো, তেতিয়া অসমৰ ইতিহাসখনক বিকৃতি কৰা হ'ব। গতিকে কিছুমান প্ৰশ্ন এৰাই চলিব পাৰিলে ভাল বুলি মই এইখন সদনৰ সকলোকে অনুৰোধ জনাইছোঁ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো ক'লে Indigenous ৰ কথা ভূমিপুত্ৰৰ কথা, কাৰণ আমি কেতিয়াবা কেতিয়াবা পাইছো তাজ হোটেলত মিটিং হৈছে, তেতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া মুখ্যমন্ত্ৰী নাছিল তেতিয়া ১৯৫১ বুলি ক'লে অসম চুক্তিত ১৯৭১ত কোৱা হৈছে। কেইদিনমান আগতে ক'লে যে নহয় ১৫ চনত যদি তেতিয়াহ'লে আৰু Indigenous নহ'ব। Indigenous কোন। এইকথা জানিব লাগে। দ্বিতীয়তে, আপোনালোকে Indigenous festival পাতিলে আমাৰ কিন্তু বৰাকৰ এটা সংগঠনক মতা নাই। Indigenous যদি কোনো নহয়, যদি সংখ্যাটো নিৰ্ধাৰণ কৰা নাই। আপোনালোকে festival পাতিলে, আপোনালোকে ডিপাৰ্টমেণ্ট পাতিলে। ডিপাৰ্টমেণ্টটো কৰা হৈছে। কোনটো জানিব লাগিব। তাৰ ওপৰত কামটো কৰিব লাগিব। কোনটো হয় সেইটো প্ৰথমে জানিব লাগিব। তাৰ পাছত আপোনালোকে কাম কৰক।

**শ্ৰীপীযুষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই তেতিয়া মন্ত্ৰী নাছিলো। Indegenous Festival পতাও নাই।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** চৰকাৰে পাতিছিল।

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী) ঃ** যি কি নহওঁক, এটা কথা মই আকৌ কৈছো। কিছুমান প্ৰশ্ন অৱতাৰণা কৰিলে সমস্যা বাঢ়ি গৈ থাকে। মই আকৌ কৈছো আমি মান্যতা দি আছো যাক যাক ক'লে ক'লোয়ে। বড়ো, কাৰ্বি, মিচিং, ৰাভা আমি ক'লো।

**মাননীয় অধ্যক্ষ ঃ** এইটো নতুন বিভাগ।

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী) ঃ** এইটো নতুন বিভাগ, অলপটো revolution ৰ সময় লাগিব। কিন্তু এইটোত যদি আপোনালোকে প্ৰশ্ন কৰে আকৌ কৈছো। প্ৰত্যেক দিনা আপোনালোকে কৰাৰ দৰে, প্ৰত্যেক দিনা কৰাৰ লগে লগে এই বড়ো, কাৰ্বি, ৰাভা, মিচিং ভূমিপুত্ৰ সকলক আপোনালোকে অসন্মান কৰা হ'ব। আপোনালোকৰ এইটো স্বভাৱ হৈ গৈছে। অসমীয়াক আপোনালোকে বেয়াকৈ কয়, আপোনালোকে Indigenous মানুহক বেয়াকৈ কয়, মিচিং মানুহক বেয়াকৈ কয়। শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়া, আপোনালোকে এইটো কৰি কৰি অসমত অসমীয়া মানুহক অসন্মান কৰি আছে। আজি আপোনালোকে মিচিং কোন ভূমিপুত্ৰ সুধিব যায়, দেখ দেখকৈ ভূমিপুত্ৰ বড়োসকল, দেখ দেখকৈ ভূমিপুত্ৰ মিচিংসকল, দেখ দেখকৈ ভূমিপুত্ৰ ৰাভাসকল, কাৰ্বিসকল, আপোনালোকে কৈ দিয়ে তাতে প্ৰশ্ন কৰে। আকৌ কৈছো, এই অসমীয়াক আৰু এই ভূমিপুত্ৰ সকলক অসন্মান কৰা চিষ্টেমটোৰ পৰা, চিন্তাটোৰ পৰা অলপ দূৰত যাওঁক। কিন্তু এইবোৰ কাম নকৰিব। যেতিয়া তেতিয়া যিতি কথা নক'ব। মই আপোনালোক অনুৰোধ কৰিছো। ভূমিপুত্ৰৰ যেতিয়া কথা আহে, আপোনালোকে যি টি কথা নকয়। এইবোৰ কথা ক'লে বড়োসকলে কষ্ট পায়। অসম বিধান সভাত খিলঞ্জীয়া মানুহৰ কথা কোৱা হ'ল। খিলঞ্জীয়াৰ কৰাৰ কথা কোৱা নাই। বিৰোধী দলৰ দলপতি শ্ৰীদেৱব্ৰত শইকীয়াদেৱে মোৰ উত্তৰটো বুজি পাইছে। সেইবাবে তেখেতে একো প্ৰশ্ন কৰা নাই।

আপুনি প্ৰশ্ন কৰি আছে, আপুনি নাজানে। আপুনি বড়োসকলক, ৰাভাসকলক, মিচিংসকলক আপুনি বেয়া ব্যৱহাৰ কৰি থাকিব খোজে। সেইটো আপোনালোকৰ nature হৈছে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। ধন্যবাদ। এতিয়া চাপ্লিমেণ্টৰী আৰু নাই।

**শ্ৰী ৰমাকান্ত দেউৰী (মৰিগাঁও) ঃ** চাৰ, চাৰ একমিনিট। অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক। ইয়াত বিৰ্তক হ'ব নালাগে। এইটো প্ৰশ্ন শিতান। প্ৰশ্ন নং ২। এতিয়া শ্ৰী আব্দুৰ ৰহিম আহমেদ। এইটো ডিবেট নহয়।

(সদনত হুলস্থুলীয়া পৰিৱেশ)

**শ্ৰী ৰমাকান্ত দেউৰী (মৰিগাঁও) ঃ** চাৰ, জনজাতি কোন। এই প্ৰশ্নটো কিয় কৰিবলগীয়া হ'ল। অসমৰ খিলঞ্জীয়া ভূমিপুত্ৰসকল কোন। ইয়াৰ defination কিয় লাগে।

(সদনত হুলস্থুলীয়া পৰিৱেশ)

**মাননীয় অধ্যক্ষ ঃ** হ'ব, সকলোৱে বহক। মই কৈ আছো, সন্মানীয় সদন। এইটো এটা প্ৰশ্ন শিতান। প্ৰশ্ন শিতানত যিকোনো কথা কাৰোবাৰ মনত যদি কিবা সন্দেহ থাকে, কিবা জানিব বিচাৰে, যিটো বিষয় চলি আছে, তেতিয়া সেইটো চাপ্লিমেণ্টৰী কৰিব পাৰে আৰু ইয়াৰ ওপৰত যদি related answer হ'ব, যদি related নহয়, এই বিষয়ত কেতিয়াবা মন্ত্ৰীয়ে জনাব। এতিয়া শ্ৰীকমলাক্ষই যিটো প্ৰশ্ন কৰিছে, এই প্ৰশ্নটোৰে আমি যোগাত্মক ধৰণে ল'লেই হ'ল যে, যিহেতু Indegenous নামৰ বিভাগ খুলিল। Indegenous হিচাপে suppose কাক কাক cover কৰিব। গতিকে যদি specific কিবা আছে সেইটো দিব পাৰে reply, যদি নাই এই বিষয়ত এতিয়া নতুন হিচাপে আমি এতিয়াও কিবা কৰিব পৰা নাই যে, কিমানটা জনগোষ্ঠী Indegenous আছে। সেইটো এই সদনত আজিৰ দিনটোত হয়তো দিব নোৱাৰিব। পিছত দিব পাৰিব। দ্বিতীয় কথাটো হ'ল যে, যিহেতু নতুন বিভাগ গতিকে সদনত প্ৰথম প্ৰশ্ন আহিছে কাৰণে সেইবোৰ সকলোৱে জানিব ইচ্ছা এটা কৰাটো স্বাভাৱিক। সেই কাৰণে এই বিষয়টো ইয়াতে আমি সামৰিলো। অন্য দিনটোত বিভাগ আছে। আপোনালোক আছে যিকোনো সময়ত, যিকোনো প্ৰশ্ন আপোনালোকে বিভাগক সুধিলে বিভাগৰ পৰা পাই যাব আৰু মই অনুৰোধ কৰিছো, সন্মানীয় সকলক যে যেতিয়া আমি সদন চলাব লাগে, তেতিয়া সকলোৱে নিয়মৰ মাজেৰে চলিব লাগিব ৰুলৰ মাজেদি। ৰুলখন যদি আমি কোনেও পালন নকৰো, তেতিয়া সদনখন ভালদৰে চলাব নোৱাৰিম। তেতিয়াহ'লে আমাৰ যিবোৰ বিষয়ত ৰাজ্যখনৰ কাৰণে দেশৰ কাৰণে আমি সিদ্ধান্ত ল'ব লাগে সেইবোৰ আমি কৰিব নোৱাৰিম। সেই কাৰণে মই অনুৰোধ কৰিছো। আমাৰ ৰুলে কৈছে Speaker য়ে যেতিয়া clarification দিবলৈ উঠে, তেতিয়া এইটো সকলোৱে শুনিব লাগে। ইয়াৰ পাছত কিবা থাকিলে আকৌ ক'ব পাৰে। এইখিনি শিষ্টাচাৰ সকলোৱে ৰাখিব লাগিব সদনত। এতিয়া মই দ্বিতীয় প্ৰশ্নত আহিছো। শ্ৰীআব্দুল ৰহিম আহমেদ।

**শ্ৰীপীযুষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনত দিয়া আছে।

**শ্ৰীআব্দুৰ ৰহিম আহমেদ (বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই উত্তৰটো দিছে কিন্তু মই এটা কথা সুধিব খুজিছো যে, আমাৰ বৰপেটা সমষ্টিত দুটা part, এটা BTAD part আৰু এটা Non BTAD part. BTAD ৰ পাচঁখনমান পঞ্চায়ত আমাৰ বৰপেটা বিধান সভা সমষ্টিৰ অন্তৰ্গত আছে। কিন্তু আমাৰ কেৱল পি ডব্লিউ ডি বিভাগে নহয়, বেছিভাগ বিভাগতে এনেকুৱা হয় যে, BTAD part টো Under Baska District, এতিয়া Baska District কৰাৰ কাৰণে উদাহৰণ হিচাপে, অৰুণোদয় আঁচনিখন Baska ত কৰাৰ কাৰণে প্ৰথমবাৰ যেতিয়া

দিয়া হৈছিল, তেতিয়া আমাৰ এই ৫ খন পঞ্চায়তে নাপালে। VCDC ত নাপালে। এতিয়া আকৌ Baska ত, বিটিএ ডিত কৰি আছে। বৰ্তমান ৫ খন পঞ্চায়ত বৰপেটা বিধান সভাৰ অন্তৰ্গত কাৰণে এইবাৰ ল'ব খোজা নাই। ঠিক তেনেকৈ পি ডব্লিউ ডিত এইটো চাৰ, এটা ডাঙৰ সমস্যা হৈছে। Baska ত কৰাৰ কাৰণে আমাৰ এচ ডি অ' জন Baska ৰ part টোত দায়িত্ব তেওঁ ল'ব নোখোজে বা এনেকুৱা কোনো ধৰণৰ direction ওপৰত নোযোৱাৰ কথা তেখেতে কয় আৰু বিশেষকৈ পি এম জি এচ ৱাই কাৰণে আৰু ডাঙৰ সমস্যা হৈছে। কেইবাটাও ব্লকত বিভক্ত আৰু সেই প্ৰত্যেকটো ব্লক এনেকুৱা আমাৰ সমষ্টিখনত চাই কেইবাটাও ব্লক আছে। ভৱানীপুৰ ডেভলপমেণ্ট, গোবৰ্ধনা ডেভলপমেণ্ট ব্লক, গুণফুলবাৰী ডেভলপমেণ্ট ব্লক।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো চমুকৈ to the point ক'ব।

**শ্ৰীআব্দুৰ ৰহিম আহমেদ (বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এজন এচ ডি অ' ৰ অধীনত গোটেই পি ডব্লিউ ডিৰ কামখিনি নিয়াৰিকৈ কৰাৰ ব্যৱস্থা কৰি দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী পীয়ুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে, বৰপেটা বিধান সভা সমষ্টিৰ অন্তৰ্গত বৰপেটা লোকনিৰ্মাণ ক্ষেত্ৰীয় পথ উপ-নিৰ্মাণ সংমণ্ডলত বৰ্তমান শ্ৰী অভিজিৎ ৰাজখোৱাই সহকাৰী কাৰ্য্যবাহী অভিযন্তা হিচাপে কাৰ্য্যনিৰ্ব্বাহ কৰি আছে। শ্ৰী নিপেন মেধি ডাঙৰীয়াই বৰ্তমান বৰপেটা লোকনিৰ্মাণ গৃহত উপ-সংমণ্ডলত সহকাৰী কাৰ্য্যবাহী অভিযন্তা হিচাপে কাৰ্য্যনিৰ্ব্বাহ কৰি আছে। সাধাৰণতে এটা সমষ্টিত দিয়া হোৱা নাই। লোকনিৰ্মাণ গৃহ আৰু ৰাষ্ট্ৰীয় পথ বিভাগৰ অধীনত প্ৰতি দুটা বা ততোধিক সমষ্টিতহে একোজনকৈ সহকাৰী কাৰ্য্যবাহী অভিযন্তা দিয়া হৈছে। এটাত দিয়া হোৱা নাই। সেই হিচাপে বৰপেটা, ভৱানীপুৰ, সৰভোগ সমষ্টিক লৈ গঠিত বৰপেটা, ভৱানীপুৰ, সৰভোগ ক্ষেত্ৰীয় উপ-নিৰ্মাণত নিপেন মেধিক দিয়া হৈছে। এটা সমষ্টিত দিয়া হোৱা নাই। বিল্ডিংত হোৱা নাই। সেইটো প্ৰচেচত আছে আৰু এইটো অতি সোনকালে হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া দ্বিতীয় পৰিপূৰক প্ৰশ্ন।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ (বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিল্ডিংৰ কথা কোৱা নাই। বিল্ডিংটো আমাৰ তিনিখন সমষ্টি লৈয়ে হৈছে। কিন্তু আমাৰ Roads ৰ কাৰণে প্ৰত্যেকটো সমষ্টিত এজনকৈ এচ ডি অ' ক দায়িত্ব দিয়াৰ ব্যৱস্থা ইয়াৰ পৰা আছে। কিন্তু বৰপেটা বিধান সভা সমষ্টিত এই ব্যৱস্থাটো কৰা হোৱা নাই। সেয়েহে সেইটো আমাক কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**শ্ৰী পীয়ুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই এটা এটা সমষ্টিত একোজন একোজন এচ ডি অ' দিয়া নাই। কিন্তু আমি আপোনাৰ পৰামৰ্শটো গ্ৰহণ কৰিছো আৰু এই বিষয়ে নিশ্চয়কৈ গভীৰভাৱে চিন্তা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই কওক।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়াৰ মাননীয় মুখ্যমন্ত্ৰীয়ে যোৱা চৰকাৰৰ দিনত যেতিয়া পি ডব্লিউ ডি বিভাগৰ মন্ত্ৰী আছিল, তেতিয়া অসমৰ প্ৰত্যেকটো বিধান সভা সমষ্টিত সহকাৰী কাৰ্য্যবাহী অভিযন্তাৰ কাৰ্য্যালয় ঘোষণা কৰি কাৰ্য্যবাহী অভিযন্তাৰ জৰিয়তে বিভিন্ন কাম-কাজ চলাই আছে আৰু এইটো এটা ভাল পদক্ষেপ আছিল। কিন্তু কথাটো হৈছে যে এই কাৰ্য্যালয় সমূহত কোনো স্থায়ী কাৰ্য্যালয় নিৰ্মাণ কৰাৰ ব্যৱস্থা লোৱা হোৱা নাই বা চৰকাৰে যদিও লৈছে, আমি নাজানো। বিভিন্ন ভাড়াঘৰত বা পি ডব্লিউ ডি আই বি ত বা বিভিন্ন

বেলেগ কাৰ্য্যালয়ত চলি আছে। আপোনাৰ জৰিয়তে চৰকাৰৰ ফালৰ পৰা জানিব বিচাৰিছো যে সহকাৰী কাৰ্য্যবাহী অভিযন্তাৰ কাৰ্য্যালয় কেতিয়া স্থাপন কৰিব বা তাত থকা বিষয়াসকলৰ কোৱাৰ্টাৰ কেতিয়া নিৰ্মাণ কৰিব আৰু তেতিয়া কাম-কাজসমূহ চলাই নিয়াত সুবিধা হ'ব।

**শ্ৰীপীযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই প্ৰক্ৰিয়াটো আৰম্ভ হোৱা এবছৰ বা ডেৰ বছৰ মান হৈছে। মাননীয় সদস্য গৰাকীয়ে এটা ভাল পৰামৰ্শ আগবঢ়াইছে যে অফিচটো নহ'লে কাম চলোৱাত অসুবিধা। গতিকে তেখেতৰ পৰামৰ্শটো আমি গ্ৰহণ কৰিছো আৰু এই ক্ষেত্ৰত নিশ্চয়কৈ আমি অফিচটো খৰতকীয়াকৈ নিৰ্মাণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী আবুল কালাম ৰছিদ আলম ডাঙৰীয়াই কওক।

**শ্ৰী আবুল কালাম ৰছিদ আলম (পূৰ গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ গোৱালপাৰা পূৰ সমষ্টিত সহকাৰী কাৰ্য্যবাহী অভিযন্তা লোকনিৰ্মাণ বিভাগৰ ৰ্ৰকচত দুমাহৰ পৰা সহকাৰী কাৰ্য্যবাহী অভিযন্তাক বদলি কৰা হৈছে আৰু নতুনকৈ কাক দিছে, সেইটো গম পোৱা নাই। আয়ুক্ত সচিবক সোধোতে তেওঁ ক'লে যে তেওঁ এই বিষয়ে খবৰ লৈ অতি সোনকালে মোক অবগত কৰিব। কিন্তু এতিয়ালৈকে কৰা নাই। এচ ডি অ' নহ'লে অসুবিধা হয় আৰু অতি সোনকালে দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**শ্ৰীপীযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পদটো খালী হৈ আছে নেকি ?

**শ্ৰী আবুল কালাম ৰছিদ আলম, বিধায়ক (পূৰ গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পদটো হেং হৈ আছে, তেওঁক ট্ৰেন্সফাৰ কৰিছে আৰু তেওঁ হাইকোৰ্ট কৰিছে।

**শ্ৰীপীযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি যিহেতু কৈছে তেওঁ হাইকোৰ্ট কৰিছে সেয়েহে চাব-জুডিচ বিষয়ত কৰিবলৈ আমাৰ অলপ অসুবিধা হয়।

**মাননীয় অধ্যক্ষ ঃ** কাৰোবাক ইনচাৰ্জ দি তেওঁৰ কামবিলাক চলাই নিলেই হ'ল। ঠিক আছে। এতিয়া প্ৰশ্ন নং- ৩, ৰূপক শৰ্মা ডাঙৰীয়াই কওক।

**শ্ৰী বিমল বৰা (মন্ত্ৰী, পৰ্য্যটন আৰু শক্তি ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ৰূপক শৰ্মা (নগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, নগাঁও জিলাৰ মাজেৰে যোৱা ৩৬ নং ৰাষ্ট্ৰীয় ঘাই পথৰ কিনাৰতে হাহিলা বিল বুলি এখন বিল আছে। প্ৰায় ৬০০ বিঘা মাটিৰে আবৰা এখন বিশাল বিল। তাৰ যি প্ৰাকৃতিক সৌন্দৰ্য্য তাত যেতিয়ালৈকে নাযায়, সেইটো অনুভৱ কৰিব নোৱাৰিব। তাত হাজাৰ হাজাৰ পৰিভ্ৰমী চৰাই আহে আৰু তাৰ ওচৰৰ যিবিলাক গাঁও আছে, তাৰে লোকসকলে এই হাহিলা বিলৰ ওপৰতে নিৰ্ভৰ কৰি মাছ আদি ধৰি জীৱন নিৰ্ব্বাহ কৰে। এই হাহিলা বিল মধ্য অসমৰ মাজ-মজিয়াত অৱস্থিত আৰু জৈৱ-বৈচিত্ৰ্যৰে পৰিপূৰ্ণ এখন অঞ্চল। যিটো অঞ্চলক লৈ আমি আগন্তুক দিনত পৰ্য্যটনৰ আকৰ্ষণৰ স্থলী হিচাপে গঢ়ি তুলিবলৈ বিভিন্ন কাম কৰিব পাৰো। এইটো এখন সম্ভাৱনাপূৰ্ণ ঠাই। তাত আমি Botanical Garden, Eco-Tourism আদিৰ দৰে ব্যৱস্থা কৰিব পাৰো। তাৰ ওচৰতে জনজাতীয় গাঁৱো আছে। তাত আমি হস্তশিল্প প্ৰদৰ্শনীৰ দৰে ব্যৱস্থা কৰিব পাৰো। তাৰ ওচৰতে অসমৰ বিখ্যাত অসমীয়া পাত-সোণ বুলি কোৱা হয়, অসমীয়া গহণা নিৰ্মাণ কৰা কদমতলী গাঁও খনো আছে। এই অঞ্চলটোক পৰ্য্যটকৰ আকৰ্ষণৰস্থলী

হিচাপে গঢ়ি তোলাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

**শ্ৰী বিমল বৰা (মন্ত্ৰী, পৰ্য্যটন আৰু শক্তি ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক ৰূপক শৰ্মা ডাঙৰীয়াই নগাঁওৰ পৰ্য্যটকৰ মনোমোহা আকৰ্ষণৰ স্থলী হিচাপে হাহিলা বিলে সঁচাকৈয়ে পৰ্য্যটকক আকৰ্ষণ কৰাৰ যথেষ্ট সম্ভাৱনা আছে। নগাঁও চহৰৰ পৰা মাত্ৰ তিনি কিলোমিটাৰ নিলগত অৱস্থিত ৪৬৮ বিঘা মাটি কালিৰে আৱৰা হাহিলা বিলত খৰালি সময়ত যথেষ্ট পৰিমাণে প্ৰৱিভ্ৰমী চৰায়ে তাত বিচৰণ কৰে। নগাঁও জিলাৰ ৰাজহ চক্ৰৰ ভেলাই কিচামত পাখিমৰীয়া মৌজাৰ অন্তৰ্গত এই বিলখনে প্ৰায় দুটা দাগত ১৮১ দাগ নম্বৰত ২৭৩ বিঘা আৰু ২৪৩ দাগ নম্বৰত **১৯৫** বিঘা মাটিকালিৰে যথেষ্ট পৰিমাণৰ মাটি আছে আৰু উক্ত প্ৰায় ৬৮ বিঘা মান মাটিত ইতিমধ্যে মীন পালনৰ বাবে আৱণ্টন দিয়া হৈছে। এই পাখিমৰীয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত হাহিলা বিলখনত প্ৰায় আমাৰ গাঁও পঞ্চায়তৰ পঞ্চদশ বিত্তীয় আয়োগৰ অধীনত বিলখনৰ পাৰত খৰালি মাহত বিশেষকৈ বহু বনভোজৰ দল তাত উপস্থিত হয় আৰু তেওঁলোকৰ বাবে প্ৰস্ৰাৱাগাৰ, শৌচাগাৰ আৰু খোৱা পানীৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আগন্তুক দিনত নিশ্চিতভাৱে আমি হাহিলা বিলক পৰ্য্যটনৰ আকৰ্ষণৰ স্থান হিচাপে গঢ়িবলৈ যত্ন কৰিম। মই লগতে মাননীয় বিধায়ক মহোদয়কো অনুৰোধ জনাইছো যে বিলখনৰ বাবে পঞ্চায়তৰ বা অন্যান্য বিধায়কৰ যিসমূহ পুঁজি পায়, সেই পুঁজিসমূহ যাতে বিনিয়োগ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰে আৰু পৰ্য্যটন বিভাগৰ প্ৰয়োজনীয় পুঁজি আগন্তুক দিনত বিনিয়োগ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া দ্বিতীয় পৰিপূৰক প্ৰশ্ন।

**শ্ৰী ৰূপক শৰ্মা (নগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে খুব ভালদৰে বিলখনৰ কথা কৈছে। ইয়াত দিছে যে পুঁজি সাপেক্ষে বিবেচনা কৰিব পাৰি। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে এটা ভাল পুঁজি লৈ হাহিলা বিলখন পৰ্য্যটকৰ আকৰ্ষণৰ স্থলী হিচাপে অন্তৰ্ভুক্ত কৰে।

**শ্ৰী বিমল বৰা (মন্ত্ৰী, পৰ্য্যটন আৰু শক্তি ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক ডাঙৰীয়াক আপোনাৰ জৰিয়তে অৱগত কৰিব বিচাৰিছো যে আপুনি এই ক্ষেত্ৰত হাহিলা বিলখনক লৈ কেনেদৰে ভাৱিছে, সেই সম্পৰ্কে Concept Note এটা তৈয়াৰ কৰি আমাক দিয়ক। আমাৰ বিভাগীয় কৰ্মচাৰীসকলে নিশ্চয় তালৈ গৈ কামখিনি আগবঢ়াব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় প্ৰদীপ হাজৰিকা ডাঙৰীয়াই কওক।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বিভিন্ন জিলাত এনেকুৱাধৰণৰ পৰিত্যক্ত বিল আছে। নাহৰকটীয়া, শিৱসাগৰ, কাছাৰ আৰু গোৱালপাৰা আদি জিলাত বহুতো ডাঙৰ ডাঙৰ বিল মই দেখিছো। চৰকাৰে এটা চাৰ্ভে কৰি সেইখিনিৰ উন্নয়ন কৰাৰ কাৰণে পদক্ষেপ লয়, তেতিয়া গোটেই ৰাজ্যখনৰ বিভিন্ন দিশত বহু লাভ হ'ব আৰু ৰাটাৰ বডি সমূহে ইয়াৰ জলবায়ু উন্নত কৰাত সহায় কৰিব। এইক্ষেত্ৰত চৰকাৰে তেনেকুৱা এটা ব্যৱস্থা ল'ব নেকি মই জানিবলৈ বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব।

**শ্ৰী বিমল বৰা (মন্ত্ৰী, পৰ্য্যটন আৰু শক্তি ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদিওবা বিলসমূহ পৰ্য্যটন বিভাগৰ অধীনত নহয়, কিন্তু মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই কৈছে আমি "গতি শক্তি" ৰে কাম কৰিব লাগিব। আমাৰ বিভিন্ন বিভাগসমূহে একেলগে উন্নয়ণৰ দিশে আগবাঢ়িব লাগিব। গতিকে মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ যিটো আহ্বান "গতি শক্তি" ৰ অধীনত সকলো বিভাগক একেলগে কাম কৰাৰ বাবে আগন্তুক দিনত আহ্বান জনাইছে। যিহেতু প্ৰশ্নটো হাহিলা

বিলক লৈ হৈছে আৰু মাননীয় বিধায়ক প্ৰদীপ হাজৰিকা ডাঙৰীয়াই অসমৰ বিভিন্ন বিলসমূহক পৰ্য্যটনৰ আকৰ্ষণৰ স্থলী হিচাপে গঢ়ি তুলিবলৈ আহ্বান জনাইছে য'ত পাৰিপাৰ্শ্বিকতাৰ পৰা আৰম্ভ কৰি প্ৰাকৃতিক পৰিৱেশৰ সন্তুলিত পৰিৱেশ এটা নিৰ্মাণ কৰিব পাৰো। কিন্তু প্ৰশ্ন হ'ল এইটোৱেই যে কেৱল পৰ্য্যটন বিভাগে এই কাম কৰিব নোৱাৰিব। তাত কিছুমান মীন বিভাগৰ বিল থাকিব, কিছুমান ৰাজহ বিভাগৰ বিল থাকিব আৰু কিছুমান বন বিভাগৰো বিল থাকিব।

**মাননীয় অধ্যক্ষ ঃ** আপুনি যিমান পাৰে চেষ্টা কৰিব। ধন্যবাদ। এতিয়া বিজয় মালাকাৰ ডাঙৰীয়াই কওক।

**শ্ৰী বিজয় মালাকার (রাতাবারী) :-** ধন্যবাদ মাননীয় অধ্যক্ষ মহোদয়, আপনারা জানেন এশিয়ার মধ্যে দ্বিতীয় সর্ববৃহৎ বিল হচ্ছে শনবিল।

**মাননীয় অধ্যক্ষ ঃ**- না না। এটা নগাঁও এর ব্যপার।

**শ্ৰী বিজয় মালাকার (রাতাবারী) ঃ**- মাননীয় অধ্যক্ষ মহোদয়, আমি মাননীয় মন্ত্রীকে আরও একবার বলেছিলাম যে পুরো টিম গিয়ে যদি একবার বিলটা দেখে আসতেন, কারণ এই জায়গায় কোন ব্যবস্থা নেই তারপরেও হাজার হাজার মানুষ আসেন এই বিলে পরিদর্শন করতে।

**মাননীয় অধ্যক্ষ ঃ** হবে। ওইখানে কি আছে পরে দেখবেন মন্ত্রী মহোদয়। এতিয়া প্ৰশ্ন নং-৪। ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই কওক।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং-০৪। শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী বিমল বৰা (পৰ্য্যটন বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীৰ মাজ-মজিয়াতে অৱস্থিত দীপৰ বিলখন Ramsar Site হিচাপে বিশ্বৰ মানচিত্ৰত লিপিবদ্ধ হৈ আছে। এই দীপৰ বিলৰ সম্পৰ্কত যোৱা ৫ বছৰে মই বিধান সভাত উত্থাপন কৰিয়েই আহিছোঁ আৰু আজিও উত্থাপন কৰিছোঁ। এই ক্ষেত্ৰত আমাৰ বিধায়কসকলেও বিশেষভাৱে সমৰ্থন জনাইছিল, কিন্তু আজিলৈকে একো কৰা নহ'ল। ২০১৮-১৯ বৰ্ষত দীপৰ বিলৰ পৰ্য্যটন বিকাশ আৰু উন্নয়নৰ বাবদ হিচাপে Signature Scheme ত প্ৰায় ১০ কোটি টকা দিয়া হৈছিল। সেই সময়ত ইয়াৰ প্ৰতি সঁহাৰি জনাই সদনেও চাপৰি বজাইছিল। কিন্তু, সেই ১০ কোটি টকাৰ যি অনুদান দিয়া হৈছিল তাৰ কাম আজিলৈকে হোৱা নাই। আজি মই সোধা প্ৰশ্নৰ উত্তৰত কৈছে যে বন বিভাগৰ বাধাৰ কাৰণে কৰিব পৰা নাই। কিন্তু, কেৱল সেই ১০ কোটিয়েই নহয়, ২০২১-২২ বৰ্ষত মাননীয় মুখ্যমন্ত্ৰীয়ে তাৰ বাবে আৰু ৪ কোটিৰ অনুদান দিছে। সেয়েহে, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা আজি স্পষ্ট ভাৱে জানিব বিচৰিছো যে Signature Schemeৰ কামখিনি অতি সোনকালে কৰিব নে নাই আৰু সেইখিনি কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰিব? দ্বিতীয়তে, দীপৰ বিলত কিছু বেদখলো হৈছে।

**মাননীয় অধ্যক্ষঃ** হ'ব, বাকীখিনি supplementaryত ক'ব। এতিয়া মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী বিমল বৰা (পৰ্য্যটন বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই ১৯৮৫ চনৰ পৰাই বিধান সভাৰ মজিয়াত আছে আৰু তেখেত দীৰ্ঘকালৰ মন্ত্ৰী ও বিধায়কো আছিল, কিন্তু দীপৰ বিলখন উদ্ধাৰ কৰিব পৰা নাই। তেওঁৰ বাবে এইটো বৰ বেদনাৰ কথা। যোৱা পাঁচটা বছৰেও তেওঁ দীপৰ বিলৰ বিষয়ে প্ৰশ্ন উত্থাপন কৰি আহিছে আৰু তেওঁ মোক যোৱা পাঁচ মাহ ধৰি ভাবুকি দি আছে যে প্ৰথমতে মোক এৰিলে, এইবাৰ হেনো মোক নেৰে। সেই অনুযায়ী এইবাৰ অধিবেশনত প্ৰশ্নও কৰিছে। সি যি কি নহঁওক, যেতিয়া দেশী-বিদেশী পৰ্যটক

অসমলৈ আহে, তেতিয়া দীপৰ বিলৰ মনোমোহা প্ৰাকৃতিক পৰিৱেশৰ মুখা-মুখি হয়। বিশাল জলৰাশিৰে আৱেষ্টিত দীপৰ বিলৰ সৌন্দৰ্য্য মহিমা-মণ্ডিত কৰিবৰ বাবে চৰকাৰ নিশ্চিতভাৱে যত্নপৰ হ'বই লাগে। কিন্তু, যোৱা দিনবোৰত বিভিন্ন কাৰিকৰী কাৰণত এই কামখিনি হৈ উঠা নাছিল। দীপৰ বিলক লৈ কেৱল পশ্চিম গুৱাহাটীৰ সমষ্টিবাসীয়েই উদ্বিগ্ন নহয় বৰঞ্চ সমগ্ৰ অসমৰ জনসাধাৰণো আত্মিক আৰু আৱেগিক ভাৱে দীপৰ বিলৰ লগত জড়িত হৈ আছে। দীপৰ বিলক পৰ্য্যটনৰ এক সুন্দৰ স্থলী হিচাপে নিৰ্মাণ কৰাৰ বাবে অসম চৰকাৰৰ তৰফৰ পৰা ২০১৮-১৯ বৰ্ষতে Signature project ৰ অধীনত প্ৰায় ১০ কোটি টকা আৱণ্টন দিয়া হৈছিল। সেই আৱণ্টিত ধন খৰচ কৰাৰ বাবে পৰ্য্যটন বিভাগৰ তৰফৰ পৰা বিভিন্ন পৰিকল্পনা গ্ৰহণ কৰাও হৈছিল। দীপৰ বিলখন পক্ষী অভয়াৰণ্য হিচাপে স্বীকৃতি পাইছে আৰু এই ক্ষেত্ৰত কিছু আন্তঃগাঁথনি নিৰ্মাণ কৰাৰ বাবে বন বিভাগৰ তৰফৰ পৰা সন্মতি নাছিল। বিগত দিনবোৰত বহুবাৰ আলোচনাও হ'ল, কিন্তু, তাৰ কোনো মীমাংসা হোৱা নাছিল। পৰৱৰ্তী সময়ত, অসম চৰকাৰৰ তৰফৰ পৰা কামৰূপ মহানগৰৰ উপায়ুক্তই প্ৰায় ১৯ বিঘা ১ কঠা মাটি দীপৰ বিলৰ সমীপত পৰ্যটকৰ সা-সুবিধাৰ ক্ষেত্ৰত বিভিন্ন আন্তঃগাঁথনি নিৰ্মাণ কৰাৰ বাবে আৱণ্টন দিছিল। কিন্তু, সেই মাটিখিনিতো কাৰিকৰী কাৰণত আন্তঃগাঁথনি নিৰ্মাণৰ ক্ষেত্ৰত কিছু সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছিল। অধ্যক্ষ মহোদয়, সৌভাগ্যৰ কথা - যোৱা ১৮ তাৰিখৰ দিনা আমাৰ কাৰ্য্যালয়ৰ আলোচনা কক্ষত অনুষ্ঠিত সভাখনত বন বিভাগ, পৰ্য্যটন বিভাগ আৰু video call যোগে মাননীয় বিধায়ক ডাঙৰীয়াও উপস্থিত আছিল। সেই আলোচনাত জানিব পৰা গৈছে যে, বন বিভাগৰ এডোখৰ মাটি আছে য'ত সৰু-সুৰা আন্তঃগাঁথনি আছে আৰু সেইবোৰ এতিয়া উৰলি গৈছে। গতিকে, পৰ্য্যটন বিভাগে সেই মাটিডোখৰতে পৰ্য্যটন বিভাগত আৱণ্টিত ধনৰ যিসমূহ পৰিকল্পনা আছে, সেই পৰিকল্পনা অনুসৰি আন্তঃগাঁথনি নিৰ্মাণ কৰাৰ ক্ষেত্ৰত সহমতত উপনীত হৈছো। ইতিমধ্যে ১৪ কোটি টকাৰ আৱন্টন হৈ আছে। আপুনি যিহেতু কিমান দিন লাগিব বুলি সুধিছে, মই ভাৱো, খুব কম সময় অৰ্থাৎ এক সপ্তাহ-দহ দিনৰ ভিতৰত আমি কাম কৰিবলৈ সক্ষম হ'ম।

**মাননীয় অধ্যক্ষঃ** হ'ব। Second supplementary .

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী)ঃ** অধ্যক্ষ মহোদয়, দীপৰ বিলত ছাইবেৰিয়া আৰু অষ্ট্ৰেলিয়াৰ পৰা পৰিভ্ৰমী চৰাই আহে। এতিয়া কথা হ'ল যে- NGT য়ে dumping ground টো স্থানান্তৰ কৰাৰ বাবে নিৰ্দেশ দিয়াত স্থানান্তৰ হৈছিল। কিন্তু, এতিয়া তাত আকৌ dumping ground বহোৱা হৈছে। এই dumping ground টো পাহাৰ সদৃশ হৈছে আৰু তাত কোনো বৈজ্ঞানিক পদ্ধতি ব্যৱহাৰ কৰা হোৱা নাই। যাৰ ফলত বশিষ্ঠ, ভৰলু বাহিনী নদী লগ হৈ এখন নদী ৰূপে দীপৰ বিলত লগ হৈছে আৰু পশু-পক্ষী, মাছ আদিৰ মৃত্যু হ'বলগীয়া হৈছে। গতিকে, এই dumping ground টো যে অবৈজ্ঞানিক পদ্ধতিৰে কৰা হ'ল, সেই ক্ষেত্ৰত পৰ্য্যটন মন্ত্ৰীয়ে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

**শ্ৰী বিমল বৰা (পৰ্য্যটন বিভাগৰ মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিছে। দীপৰ বিল পক্ষী অভয়াৰণ্যত পক্ষী নিৰীক্ষণ কৰিবলৈ Watch Tower নিৰ্মাণ কৰিম। আগন্তুক দিনত, দীপৰ বিলত আমি যাতে Boat House নিৰ্মাণ কৰিব পাৰো, তাৰ বাবে প্ৰাৰম্ভিক ভাৱে ১০০ খন Boat House নিৰ্মাণ কৰাৰ বাবে আমি সেইদিনা সভাত সিদ্ধান্ত গ্ৰহণ কৰিছিলো। আনহাতে, তেওঁ বেদখলৰ কথা হৈছে। দীপৰ বিলখন বিভিন্ন ধৰণেৰে বেদখল কৰি সংকুচিত হোৱা কথাটো হয়। গতিকে, বেদখল সম্পৰ্কত আমাৰ চৰকাৰৰ

স্থিতি সম্পৰ্কত অসমৰ জনসাধাৰণে ইতিমধ্যে গম পাইছে। গৰুখুঁটিত উচ্ছেদ কৰা হৈছে। লামডিঙত উচ্ছেদ কৰাৰ বাবে হাতীয়ে তাত বিচৰণ কৰিব পৰা পৰিৱেশ নিৰ্মাণ হৈছে। গতিকে, আজি বিধান সভাৰ মজিয়াত মই ৰাজহ বিভাগক আহ্বান জনাইছো যে দহ দিনৰ ভিতৰত তাত যিসমূহ বেদখল হৈ আছে, সেই বেদখলৰ প্ৰতিবেদন যাতে তেওঁলোকে বিধান সভাত দাখিল কৰে। আনহাতে, ডাম্পিং গ্ৰাউণ্ডৰ ক্ষেত্ৰত পদক্ষেপ লোৱাৰ বাবে আমাৰ সন্মানীয় মন্ত্ৰী অশোক সিংহল ডাঙৰীয়া আছে। গতিকে, দীপৰ বিলৰ পাৰিপাৰ্শ্বিক অৱস্থা যাতে বিনষ্ট নহয় তাৰ বাবে মন্ত্ৰী ডাঙৰীয়াই যাতে উদ্যোগ গ্ৰহণ কৰে।

**মাননীয় অধ্যক্ষঃ** নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস (বকো)ঃ** অধ্যক্ষ মহোদয়, দীপৰ বিলৰ ওচৰত মইও থাকো। আমি সকলোৰে দ্বীপৰ বিলৰ উন্নতি বিচাৰো। দ্বীপৰ বিলৰ বেদখল কোনো বাংলাদেশী বা দুখীয়া মানুহে কৰা নাই। ধনী মানুহে কৰিছে। বিভিন্ন ঠাইত যিবিলাক eviction চলি আছে, সেয়া আমি welcome কৰিছো। কিন্তু দ্বীপৰ বিলত আমি eviction কৰা দেখা নাই।

**মাননীয় অধ্যক্ষ ঃ** Question Hour is over. এতিয়া এটা declaration আছে। সন্মানীয় সদন, কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন ------ interruption----

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** ১ নং ৰ পৰা ২ নং ৰ ভিতৰত Adjournment Motion ৰ discussion হ'ব লাগে বুলি লিখা আছে।

**মাননীয় অধ্যক্ষ ঃ** হয়, মই প্ৰথমতে এইটো পঢ়ি লওঁ। অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ নিয়ম ২৩০ ৰ অধীনত অসম বিধান সভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ এখন সভা যোৱা ২৭-১১-২০২১ তাৰিখে পুৱা ১০ বজাত বিধান সভাৰ কেন্দ্ৰীয় সভাকক্ষত ২০২১ চনৰ শীতকালীন অধিবেশনৰ খচৰা দিনপঞ্জীখন আৰু বেলডৰ তাৰিখ আৰু প্ৰশ্ন সমূহৰ জাননী প্ৰাপ্তিৰ অন্তিম তাৰিখৰ তালিকা চুড়ান্ত কৰাৰ বাবে অনুষ্ঠিত হয়। অধিবেশন ইংৰাজী ২০ ডিচেম্বৰ ২০২১ তাৰিখৰ পৰা ইংৰাজী ২৪ ডিচেম্বৰ ২০২১ তাৰিখলৈ মুঠ ৫ দিন কৰ্মদিনৰ ৪ দিন চৰকাৰী কাৰ্য্যসূচীৰ বাবে আৰু এদিন বেচৰকাৰী সদস্যৰ কাৰ্য্যসূচীৰ বাবে ধাৰ্য্য কৰা হয় আৰু ইং ২১ ডিচেম্বৰ ২০২১ তাৰিখে বেচৰকাৰী সদস্যৰ কাৰ্য্যসূচী থকাৰ হেতুকে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মৰ অধীনত সেই দিনা নিয়ম ৫৪, নিয়ম ৩০১ আৰু শূণ্যকালীন ঘন্টা নাথাকে যদিও অকল শূণ্যকালীন ঘন্টাহে সদনৰ কাৰ্য্যসূচীত অন্তৰ্ভুক্ত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে মৃত্যু প্ৰসঙ্গৰ তালিকাখনো সভাই অনুমোদন জনায়। চলিত অধিবেশনৰ পৰা সদনত উত্থাপিত হোৱা বিধেয়ক সমূহৰ ওপৰত প্ৰথমে নিৰ্দ্ধাৰিত সময়ত আলোচনা কৰি পিছৰ পৰ্য্যায়ত সংশোধনী প্ৰস্তাৱ সমূহ উত্থাপন কৰি গৃহীত কৰা হ'ব। এই অধিবেশনত প্ৰশ্নোত্তৰ কালত মূল প্ৰশ্নকৰ্তাই দুটা পৰিপূৰক প্ৰশ্ন আৰু অন্যান্য মাননীয় সদস্যৰ মাজৰ পৰা দুটা পৰিপূৰক প্ৰশ্ন কৰিব পাৰিব। ইং ২২ ডিচেম্বৰ ২০২১ তাৰিখে ২০২১ -২২ চনৰ পৰিপূৰক মঞ্জুৰীৰ বাবে দাবী সমূহ ভোটদানৰ বাবে লোৱা হ'ব আৰু ২০২১ চনৰ অসম বিনিয়োজন বিধেয়কখন উপস্থাপন বিবেচনা আৰু পাৰিত কৰাৰ সিদ্ধান্ত গ্ৰহন কৰা হয়। ইংৰাজী ২৪ ডিচেম্বৰ ২০২১ তাৰিখ, শুক্ৰবাৰে সদন দুয়োবেলা অনুষ্ঠিত কৰি পুৰা নিৰ্দ্ধাৰিত চৰকাৰী কাৰ্য্যসূচী শেষ কৰি বিয়লি অধ্যক্ষৰ উদ্যোগ শিতানত ৰাজ্যৰ নতুন শিক্ষা নীতিৰ ওপৰত আলোচনা কৰাৰ বাবে সমিতিয়ে সন্মতি জনায়। আশা কৰো এই প্ৰতিবেদনৰ ওপৰত মাননীয় সকলো সদস্যৰে অনুমোদন আছে। (-----হুলস্থুল------)

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা সভা স্থগিত

প্ৰস্তাৱৰ জাননী দিছো। এইটো বিষয়ৰ ওপৰত আগবাঢ়িবলৈ অনুৰোধ জনাইছো।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Adjournment Motion টো এই মূহুৰ্তত ----interruption ------

**মাননীয় অধ্যক্ষ ঃ** মই কৈ আছো। দুটা Adjournment Motion আছিল। এটা আমিনুল ইছলাম ডাঙৰীয়াৰ লগতে অন্যান্য সদস্য সকলৰ আৰু আনটো মাননীয় বিৰোধী দলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়াৰ লগতে অন্যান্য সদস্য সকলৰ। এই Adjournment Motion ত আপোনালোকে যিখিনি notice দিছে, যিটোৰ কাৰণে House Adjourn কৰি বিষয়টোৰ ওপৰত আলোচনা কৰাটো অত্যন্ত আৱশ্যক। ইয়াৰ admissibility ৰ ওপৰত মই একমত হ'ব পৰা নাই। সেয়েহে এই Adjournment Motion গৃহীত কৰা নাই। (---- ----হুলস্থূল------)

মই কৈছো যে গৰুখুঁটিৰ বিষয়টো subjudice হৈ আছে। Subjudice হৈ থকা কোনো বিষয়ৰ ওপৰত আমি সদনত কথা পাতিব নোৱাৰো। সেইকাৰণে এই Adjournment Motion টো গ্ৰহণ কৰা নাই। (------হুলস্থূল--------)আমি Rule ৰ ওপৰত যাব নোৱাৰো।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মুখ্যমন্ত্ৰীৰ পৰিয়ালৰ ভূমি কেলেংকাৰীৰ ওপৰততো হ'ব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** আমি কাৰো পৰিয়ালৰ কথা ইয়াত আনিব নালাগে। (-----হুলস্থূল-----) admissibility ৰ ওপৰত মই কৈ আছো যে (----------হুলস্থূল------) অখিল গগৈ ডাঙৰীয়া, আপুনি যিহেতু কোনো notice দিয়া নাই, আপুনি বহক। (------হুলস্থূল------) মই থিয় হৈ আছো আপোনালোক বহক। মই দুটা notice পাইছো। আপোনালোকে মোক এইটো clear কৰিবলৈ দিয়ক। গৰুখুঁটিৰ বিষয়টো যোৱাৰ পিছতহে আনটো বিষয়ৰ কথা আহিব। গৰুখুঁটিৰ ওপৰত মই ইতিমধ্যে ক'লো যে আমাৰ যিটো Rule আছে, সেই Rule ৰ মতে subjudice হৈ থকা বিষয়ৰ ওপৰত আমি সদনত কথা পাতিব নোৱাৰো। Even Court ত চলি থকা বিষয়ৰ ওপৰত আমি কোনো কথা public কৰিব নোৱাৰো। বিষয়টো subjudice কিয় হৈ আছে, আমাৰ ইয়াত বিৰোধী দলৰ দলপতি আছে, স্বয়ং তেখেতে কোৰ্টত ইয়াৰ ওপৰত petition দিছে।

( -------------------হুলস্থূল------)

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি গৰুখুঁটিৰ বিষয়ত আলোচনা বিচাৰিছো। গৰুখুঁটিত মানুহ মৰিছে। (---------হুলস্থূল------)

**মাননীয় অধ্যক্ষ ঃ** আপোনালোক বহক। গৰুখুঁটিৰ বিষয়টো মই অগ্ৰাহ্য কৰিছো। (--হুলস্থূল-)

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, subjudice বিষয়টো হয়তো সদনত আলোচনা কৰিব নোৱাৰে।

**মাননীয় অধ্যক্ষ ঃ** হয়, তেখেতসকলৰ লিডাৰেও এই কথাটো মানিছে। কোৰ্টৰ ৰায় দিয়াৰ পাছত সেই ৰায়ৰ ওপৰত যদি কোনো সন্তুষ্ট নহয় তেতিয়া পৰৱৰ্তী পৰ্য্যায়ত আমি এই বিষয়টো ল'ব পাৰিম। এতিয়া দ্বিতীয় Adjournment Motion টো সন্মানীয় বিৰোধী দলৰ দলপতিৰ লগতে অন্যান্য সদস্য সকলৰ পৰা পাইছো ভূমিনীতিৰ ওপৰত। এই ক্ষেত্ৰতো এই বিষয়ৰ ওপৰত মই বিশেষ তথ্য পোৱা নাই। মাত্ৰ বাতৰি কাকতৰ কথা উল্লেখ কৰি এইটো দিয়া হৈছে।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** Resolution টো পাঠ কৰি দিব লাগে বুলি Rule 56 ত লিখা আছে। অনুগ্ৰহ কৰি আপুনি এইটো পঢ়ি দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক। এইটো পঢ়াৰ কোনো কথা নাই। আপুনি প্ৰতিটো কথাতে মাত মাতিব নালাগে। মই যিটো clarification দিব বিচাৰিছো সেয়া আপোনালোকে শুনক। মই অধ্যক্ষ। এইটো আমাৰ Rule য়ে কৈছে। মোৰ কথা নহয়। গতিকে এইখন House ত Adjournment Motion ৰ ক্ষেত্ৰত ইয়াত admissibility ৰ ওপৰত সিদ্ধান্ত লোৱাটো Speaker ৰ ওপৰত। প্ৰথম কথা মই বুজিবলৈ কৈছো যে, আমাৰ ৰুলখনত কি কৈছে। কৈছে যে, যিকোনো ৰাজহুৱা স্বাৰ্থজনিত দৰকাৰী বিষয়ত সদন এডজৰ্ণ কৰি আলোচনা কৰিব পৰা ব্যৱস্থা আছে আৰু তাৰ বাবে নোটিচ দিব পাৰি । ¨ যিকোনো চেশ্যনত তেনেধৰণৰ বিষয়ৰ ওপৰত আলোচনা হ'ব পাৰে। .......ইয়াত এডমিচিবিলিটিৰ ওপৰত লিখাখিনি মই লাইন বাই লাইন কৈছো।..... ...। মোক ক'বলৈ দিয়ক... বহক আপুনি ।

**কংগ্ৰেছ দল ঃ** অধ্যক্ষ মহোদয়, আপুনি প্ৰস্তাৱটো পঢ়ি দিয়ক।

সদনত বাদ- বিবাদ - হুলস্থূল

**মাননীয় অধ্যক্ষ ঃ** মই এডমিচিব্লিটিৰ ওপৰতে কৈ আছো। আপোনালোকে মানি ল'ব নোৱাৰিব পাৰে সেইটো বেলেগ কথা। মোক যদি ক'বলৈ নিদিয়ে কেনেকৈ হ'ব....।

সদনত বাদ- বিবাদ - হুলস্থূল

**মাননীয় অধ্যক্ষ ঃ** চাওঁক মই ৰুলৰ বিষয়েহে কৈ আছো। ৰুলত বিষয়টো স্পীকাৰৰ ওপৰত এৰি দিছে। ৰুলে কৈছে এডমিচিব্লিটিৰ ওপৰত চাই স্পীকাৰে সিদ্ধান্ত ল'ব। অলৰেডী মই চাইছো। মই চাইহে ইয়াত এডমিচিব্লিটি নাই বুলি কৈছো।

**বিৰোধী দলৰ পৰা অহা উক্তি ঃ** অধ্যক্ষ মহোদয় , কিহৰ ওপৰত আনিছে প্ৰস্তাৱটো - মুখ্যমন্ত্ৰী ভূমি কেলেংকাৰী নহয় জানো ?

**বিৰোধী দল ঃ** আপুনি প্ৰস্তাৱটো গাই দিয়ক।

সদনত হুলস্থূল- বাদ- বিবাদ

**মাননীয় অধ্যক্ষ ঃ** সদন ১০ মিনিটৰ বাবে এডজৰ্ন কৰিলো।

(সদন- ১০.৪৫ বজাৰ পৰা ১০.৫৫ বজালৈ সাময়িকভাবে স্থগিত হয়)

**ইংৰাজী ২০-১২-২-২১ তাৰিখে দিনৰ ১১.০০ বজাত মাননীয় অধ্যক্ষ শ্ৰী বিশ্বজিৎ দৈমাৰী মহোদয়ৰ অধ্যক্ষতাত ১০ মিনিট সদন বিৰতিৰ পিছত পুণৰ সদনৰ কাম-কাজ আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া পৰৱৰ্ত্তী কাৰ্য্যসূচীলৈ যাম।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** চাৰ, এজেণ্ডাটো সমাধান হোৱা নাই, আপুনি সভা স্থগিতপ্ৰস্তাৱৰ জাননীখন পাইছিল, সেই খনৰ বিষয়ত অকনমান মন্তব্য দিব লাগিব, কি পাইছিল, কোনে কোনে দিছিল, সেইখিনি চোৱাৰ পিছতহে হ'ব। ইয়াত লিখা আছে গোটেই প্ৰস্তাৱটো গাব লাগে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** চাৰ, এইটো গাই দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ৰ'ব, মই কৈ আছো।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** ৰ'ব, মোক কবলৈ দিয়ক। আপোনালোক বহক চোন।

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়ণী) ঃ** নদী বান্ধৰ আন্দোলন কেলৈ হৈ আছে?

**মাননীয় অধ্যক্ষ ঃ** নদীবান্ধ ক'ৰ পৰা আহি গ'ল আকৌ? বহকচোন। যাৰ যি মনত আহে সেইবোৰ ক'লে নহ'ব। সন্মানীয় সদস্যসকল বহক। আমি Adjourment Motion ৰ Admissibility ৰ ওপৰত আলোচনা কৰি আছো। আপোনালোকে কথাটো শুনকচোন। দুই পক্ষৰ যদি সেইটো কথা কোৱাকোৰি হৈ থাকে তেতিয়া বিষয়টোৰ ওপৰত জানিব কেনেকৈ? সেইটোৰ কাৰণে Admissibility ৰ ওপৰত মই যিহেতু নাকচ কৰিছোঁ, ইয়াৰ ওপৰত Clarification বিচাৰিছে।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** Resolution টো।

**মাননীয় অধ্যক্ষ ঃ** নৰহ ডাঙৰীয়া, আপুনি যদি ক'বই নিদিয়ে, আপোনাৰ Admissibility থকাৰ কথাটো আপুনি কৈ যাওক, এইটো ক'ত আছে, ইয়াৰ পিছত তেখেতে ক'ব, আপোনাৰ ওচৰত Rule bookটো আছে। মোকটো ক'ব দিব লাগিব, অধ্যক্ষই যদি ক'ব নাপাই ইয়াত কেনেকৈ হ'ব।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) (ধিং) ঃ** চাৰ, Admissibility ৰ আমাৰ দুয়োখন নটিছৰে হৈছে।

**মাননীয় অধ্যক্ষ ঃ** আপোনাক কৈছে subjudice, আপুনিটো জনা মানুহ।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) (ধিং) ঃ** চাৰ, subjudice নহয়।

**মাননীয় অধ্যক্ষ ঃ** কিয় sub judice নহয়? ইয়াত আছে। আপোনাক পেপাৰটো দিয়া হ'ব।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** আপোনালোক বহক। সদনখন আপোনালোকৰে হয়। গতিকে আপোনালোকে অলপ বহক।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) (ধিং)ঃ** চাৰ, আমি যিটো বিষয় আনিছোঁ, সেইটো বেলেগ। Subjudice ৰ এঙ্গ'লটো বেলেগ।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোক বহক। আমাৰ সদনৰ বিৰোধী দলপতি ডাঙৰীয়া, আপোনালোকে নটিছ আনিছিল, মই আপোনালোকক Admissibility ৰ ওপৰত কবলৈ দিছোঁ।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) (ধিং) ঃ** চাৰ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক চোন। আগতে শুনি লওঁক।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি আমি সভা স্থগিত প্ৰস্তাৱৰ এটা জাননী বিধান সভাৰ যি আমাৰ Rules of procedure and conduct of business in Assam Legislative Assembly, ৰ ৫৬ নং বিধি অনুসৰি নিম্ন স্বাক্ষৰকাৰী সকলে সদনৰ সভা স্থগিত কৰি তলত উল্লেখ কৰা জৰুৰী ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়টো আলোচনাৰ দিহা কৰিবলৈ প্ৰস্তাৱ আগবঢ়াইছোঁ। প্ৰস্তাৱটো আছিল মহোদয়, RBS real trust private limitedয়ে ২৯ বিঘা ৯ লেচা চৰকাৰী আৰু চিলিং মাটি ক্ৰয় কৰোতে অসমৰ ভূমিনীতি ১৯৮৯ আৰু চিলিং এক্ট ৫৬ নং উলংঘা কৰি দূৰ্নীতিৰ আশ্ৰয় লৈছে। ইয়াতে আমি স্বাক্ষৰকাৰী আছিলোঁ শ্ৰীদেৱব্ৰত শইকীয়াৰ প্ৰমুখ্যে আমাৰ বিধান সভাৰ কংগ্ৰেছ বিধায়িনী দলৰ সমূহ সদস্য।

মহোদয়, আপুনি ইয়াত Admissibility নহ'ব বুলি কৈছে আৰু তাৰ কাৰণে আপুনি ভাৱিছে যে এইটো কোনো তথ্য প্ৰমাণ নাই, factual নহয়। মহোদয়, factualৰ উপৰিও

যি কেইটো কথা আছিল মই দুইমিনিটত কৈ দিম। এই motionটো অধিবেশনৰ প্ৰথম হ'ব লাগে, এইটো First sittingৰ প্ৰথমদিনাই দিছো আমি, matter specific,আমি কেৱল RBSৰ ভূমি কেলেংকাৰীৰ কথা কৈছোঁ আৰু recent বুলি এই কাৰণে কৈছো যে আমাৰ বিধান সভা খন হোৱাৰ পিছত এইটোৱে আমি প্ৰথম এনেকুৰা এটা অৱকাশ পাইছোঁ, এই আলোচনা কৰিবলৈ।

**মাননীয় অধ্যক্ষ ঃ** নহয়, নহয়, সেইটোতে।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)ঃ** মই কৈ লওঁ গোটেইখিনি। আপুনি একেবাৰতে কৈ দিব। দ্বিতীয়তে, মহোদয়, matter আগতে আলোচনা হোৱা নাই আৰু reviveও নহয় কাৰণ RBSৰ ভূমি কেলেংকাৰী আমি আগতে কেতিয়াও আলোচনা কৰা নাই। Resolution after discussion can be made হয় মহোদয়, আমি যিহেতু কৈছো দূৰ্নীতি হৈছে, আইন উলংঘা হৈছে, সেই বিলাকৰ বিষয়ে যি প্ৰশাসনিক ব্যৱস্থা ল'ব লাগে, অনুশাসন মূলক ব্যৱস্থা, সেইখিনি লোৱাৰ লগতে আকৌ সদনৰ ক্ষমতা আছে আমাৰ আইন ভংগ কৰা কাৰণে আইন ভংগকাৰীৰ ওপৰত শাস্তি পোৱাকৈ বিহীত ব্যৱস্থা  লোৱা পৰামৰ্শ দিব লাগে। এই matterটো গৰুখুটিৰ নিচিনাকৈ subjudiceহৈ থকা নাই। ইয়াত কোনো বিশেষাধিকাৰীৰ কথাও নাই। এইটো সম্পূৰ্ণ it relates to State Government.এতিয়া urgent very recent হলে আৰু ঘটনা হ'ল allotment and occupation of land is under relevant provisions of law and rules framed there under . আমাৰ যি অসমৰ মাটি সেই মাটি rules ৰ underত আৰু তাৰ law underত হ'ব লাগে। এতিয়া আমি কৈ আছো যে It is a violation of Government policy. সেই গতিকে আমি সদনত চৰকাৰৰ কাম-কাজ নিৰীক্ষণ কৰাটো বিৰোধীৰ ভূমিকা, সেই গতিকে ruleযে violate কৰিলে, violate কৰাৰ পিছত তেখেত সকলৰ দায়িত্ব আছিল ministerial responsibility. যিহেতু এই ডাঙৰ কিতাপখনত লিখা আছে যে ১৯২০ চনৰ পৰা adjournment motionৰ বিশেষ কোনো পৰিবৰ্তন হোৱা নাই। Practice and procedure of parliament by S L Shakdhar ৰ 7th edition ৰ ৫৬২ পৃষ্ঠাত আছে যে for having omitted to do some action which was urgently necessary at the moment. অৰ্থাৎ ৮ তাৰিখৰ দিনা যিহেতু এটা ঘটনা ওলালে, ঘটনাটো হয়নে নহয়, অসম চৰকাৰৰ এটা দায়িত্ব আছিল সেই বিষয়ে তদন্ত দিয়াৰ আৰু ৰাইজৰ মনত স্পষ্টীকৰণ আগবঢ়াবলৈ যে এই যিখিনি বাতৰি সেইখিনি মিছা বিভ্ৰান্তিমূলক, ইয়াৰ ওপৰত কোনো একো প্ৰমাণ নাপালোঁ। কিন্তু এনেকৈ তেওঁলোকৰ ministerial responsibility যিটো আছে, সেই ministerial responsibility to protect. and also career to perform the duty adjourn by the constitution and the law of the land violate কৰিছে। দ্বিতীয় কথা, আপুনি ক'লে মহোদয়, factual নহয়, ইয়াত যিখিনি তথ্য আমি দিলোহে আপুনি বিচৰা হ'লে, এইটো নাকচ কৰাৰ পূৰ্বে। এই গোটেইখিনি factual হয়। কাৰণ অসম চৰকাৰৰ দুটা ভূমি সংস্কাৰ কৰাৰ আজিও এটা land reformsৰ এখন আমাক দিছে গোটেই তথ্য। তাৰ আগতে আছিল ধৰিত্ৰী, পিছত হৈছে মিছ্ন বসুন্ধৰা। সেই দুটাৰ অধীনত যিকোনো মানুহে, কাৰণ আমাৰ কি মাটি আছে, কি আছে সেইবিলাক চাব বিচাৰিলে

এটা mouseৰ button টিপি login কৰি গোটেই খিনি উলিয়াব পাৰে। সেই গতিকে আমাৰ হাতত যিখিনি আছে তাৰ গোটেই ফেক্সখিনি আছে, সেই গতিকে এই factual basisত আৰু যিটো কৈছো আপোনাৰ নিশ্চয়, ২০১৯ চনৰ land policy খন ২০২০ চনত দাখিল কৰিছে। কিন্তু ১৯৮৯ চনৰ land policy খন যেতিয়া আমাৰ ২০১৯-২০ চনলৈকে চলি আছিল, সেই খিনি সময়ৰ ভিতৰতে এই গোটেই ঘটনাখিনি হৈছে। ২০০৬ চন বা ২০০৭ চনৰ ভিতৰত আৰু ২০০৮ চন বা ২০০৯ চনৰ ভিতৰত। এই দুয়োটা সময়তে land policy আছে, land policy ৰ যি ২০ পৃষ্ঠাৰ ১৯৮৯ চনৰ অসমৰ চৰকাৰৰ, তাত বিভিন্ন পৃষ্ঠাত দফাই দফাই খুব সুন্দৰকৈ লিখা আছে কেনেকৈ কি land allotment হ'ব লাগে। সেই গতিকে এই তথ্যখিনি যদি আমাৰ Legislative Department য়ে হওঁক বা Law Department য়ে হওঁক, বিষয়া সকলে অলপ পৰীক্ষা যদি কৰিলে হয় তেতিয়াহলে আপোনাৰ মুখত এইটো factual নহয় বুলি এই কথাষাৰ তেখেত সকলে দিব লগা নহ'লহেতেনঙ্গ যি কি নহওক মহোদয়, সেই গতিকে যিখিনি আমাৰ মেৰিট আছে, সেই গোটেইখিনি মেৰিট ইয়াত আছে। সেইবাবে এইটো এডমিট কৰাৰ কাৰণে আপোনাক অনুৰোধ জনাইছো। এই কামখিনিৰ কথা আমি সকলোৱে জানো। আমাৰ সন্মানীয় সদনৰ যিসকল নতুন সদস্য তেওঁলোকে কমকৈ জানিব পাৰে আৰু যিসকল পুৰণা সদস্য তেওঁলোক এই ক্ষেত্ৰত যথেষ্ট অভিজ্ঞ। চাব-ডিভিজনেল লেণ্ড এডভাইজাৰ কমিটি থাকে। মহকুমাধিপতি অথবা উপায়ুক্তজনে এই কমিটিখনৰ অধ্যক্ষতা কৰে। বিভিন্ন প্ৰশাসনিক বিষয়াসকল, বিধায়ক সকলো থাকে। প্ৰতিটো তথ্য আহিলে আমি তন্ন তন্নকৈ পৰীক্ষা কৰি লেণ্ড দিবলৈ বিছাৰো। আমাৰ অসমৰ নতুন ভূমিনীতিও আছে যে খিলঞ্জীয়া সকলে পাব লাগিব, ইয়াত বসবাস কৰি থকা সকলে পাব লাগিব আৰু যি সকলে নাই পোৱা তেওঁলোকক চৰকাৰী মাটিৰ পৰা উচ্ছেদ কৰিবলৈ কোৱা হৈছে কিন্তু ব্যৱসায়িক স্বাৰ্থত মাটি দিব লাগে বুলি কোনো এটা লেণ্ড প'লিচিতে নাই। মহোদয়, সেই গতিকে আমি বাৰম্বাৰ কৈ আহিছো যে আমাৰ বিধান সভা খনৰে দায়িত্ব হ'ল যে বিধি প্ৰনয়ণ কৰাৰ পিছত বিধি ৰূপায়ণ হৈছে নে নাই, বিধি ৰূপায়ণ কাৰ্যপালিকাই নাই কৰা যদি আমি কেতিয়াবা কোৰ্টলৈ যাবলগীয়া হয়। কিন্তু কোৰ্টত আমি পলিটিচিয়ান সকলে গ'লে চৰকাৰী পক্ষৰ পৰা কোৱা হয় যে এওঁলোকে ৰাজনীতি কৰিছে, এওঁলোকে কোৰ্টত আহিব নালাগে বিধান সভাত যুদ্ধ কৰক। গতিকে অধ্যক্ষ মহোদয়, বিধান সভাত যদি আমি আমাৰ সঁচা কথাখিনি কবলৈ নাপাওঁ তেনেহ'লে সাধাৰণ ৰাইজৰ প্ৰতিনিধি হিচাপে আমি ক'ত যাম? সেই কাৰণে ইয়াত কিবা ভুল হ'লে আমি নিশ্চয় স্বীকাৰ কৰিম কিন্তু ইয়াত যিখিনি প্ৰাৰম্ভিকভাৱে তথ্য পোৱা গৈছে, সেই তথ্যখিনিৰ ভিত্তিত এটা ৰিজ'লোশ্যন ল'বপৰা যায় যে এজন চিটিং জাজৰ যোগেদি তদন্ত কৰি যি সকল দোষী শাস্তি পাব লাগে আৰু যিটো ভূমি অবৈধভাৱে লৈছে সেই ভূমিখিনি চৰকাৰে পুনৰ ঘূৰাই ল'ব লাগে আৰু ইত্যাদি বিভিন্ন ধৰণৰ কথা তেনেকৈ পৰামৰ্শ দিব। গতিকে এইটো আলোচনা হোৱাৰ যথেষ্ট অৱকাশ আছে। যোৱা বিধান সভাত প্ৰতিজন বিধায়কে এটা প্ৰশ্ন সোধে যে বান ক্ষতিগ্ৰস্ত ভূমিহীন পৰিয়ালৰ সংখ্যা কিমান? প্ৰতিখন জিলাতে এই তথ্যটো দিয়া হয়, কোৱা হয় যে মাটি পোৱা নাই বাবে বহাব পৰা নাই। তেনেক্ষেত্ৰত আইন উলংঘা কৰি ব্যৱসায়ীক স্বাৰ্থত কেনেকৈ চৰকাৰী মাটি দিব পাৰে এইটো এটা ডাঙৰ প্ৰশ্ন। সেই গতিকে এই প্ৰশ্নটোৰ উত্তৰ আমি সদনত শাসক পক্ষ,বিৰোধী পক্ষই আলোচনা কৰি বিচাৰিব লাগিব আৰু যদি প্ৰয়োজন হয় প্ৰস্তাৱ অনুসৰি আইন সংশোধন কৰিব লাগিব,বিধি সংশোধন কৰিব লাগিব। মই ভাৱো যে এইটো এটা গুৰুত্বপূৰ্ণ বিষয়. যিহেতু প্ৰতিখন জিলাৰ পৰাই ১২ হাজাৰ, ২০ হাজাৰ,২৫ হাজাৰকৈ ভূমিহীন

আছে বুলি আমাৰ বিধান সভাৰ তথ্যত আছে। গতিকে এই চৰকাৰী মাটিখিনি কেনেকৈ আমি অন্যক ব্যৱসায়িক স্বাৰ্থত দি দিব পাৰো যিটো আইনত নাই। গতিকে মাননীয় অধ্যক্ষ মহোদয়, এইটো আলোচনা কৰাৰ সুবিধা দিয়ক , এইটো আপোনাক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰীপীযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** সন্মানীয় বিৰোধী দলৰ দলপতিয়ে কৈছে যে এই বস্তুটো ২০০৬ আৰু ২০০৯। গতিকে অধ্যক্ষ ডাঙৰীয়া, The motion must be restricted to a specific matter of recent occurence.আপুনি admissibility ৰ ওপৰত অহাই নাই মই মাত্ৰ reference ত হে আনিছো, কাৰণ আপুনি এইটো গ্ৰহণ কৰা নাই। এই কেচটো recent নহয়, it is a case of 2006 & 2009 ৰ আৰু বাকী মই বেছি কথা নকওঁ।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** কেচতো হয়নে নহয়?

**শ্ৰীপীযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মই কেচ বুলি নকওঁ। আপোনালোকৰ অভিযোগটোক মই কেনেকৈ কেচ বুলি ক'ব পাৰিম? (সদনত হুলস্থূলৰ সৃষ্টি হয়)

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া, মুখ্য মন্ত্ৰীৰ কথা ইয়াত আনিব নালাগে। ...........হুলস্থূল.....

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** অধ্যক্ষ ডাঙৰীয়া, সত্য সদায় সত্য হৈ থাকিব। সত্য কেতিয়াও অসত্য হ'ব নোৱাৰে, পুৰণা হ'লেও, নতুন হ'লেও। গতিকে আমি এতিয়া সত্যটো গম পাইছো । চৰকাৰৰ ঘোষণা যে যি সকলে দুৰ্নীতি কৰে তেওঁলোকক শাস্তি দিব, ৮০০ জন দালালক শাস্তি দিয়া হৈছে , প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ ঘোষণা কংগ্ৰেছী সকলক জেলত পঠাব যি সকলে দুৰ্নীতি কৰিছে আৰু আমাৰ প্ৰশাসনিকভাৱে সংস্কাৰ হ'ব, আৰু যি সকল ৰাজনৈতিক দুৰ্নীতিগ্ৰস্ত তেখেতসকলৰ বাবে আইন অনাৰ কথাও কৈছে। এই ক্ষেত্ৰত আমি অলপ আগ ভাগ লৈ অসম প্ৰথম হ'ব পাৰো যদি হ'ব লাগে। এইটোৱে আমাৰ অনুৰোধ অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদন, এই বিষয়ত আমি সকলোৱে নিজৰ নিজৰ দৃষ্টিভংগী লৈ মন্তব্য ৰাখিলে ভাল হ'ব। আমি আজি এই বিষয়ত যিখিনি কথা পাতিছো, notice দিওঁতে এই কথাখিনি অনা হৈছিল যে এই বিষয়ত জৰুৰীকালীন হিচাপে হাউচ adjourn কৰি হ'লেও এই বিষয়ৰ ওপৰত আলোচনা কৰিব লাগে। বিষয়টো হ'ল adjournment motion ৰ কথা যেতিয়া আহে, বাকী গোটেই কাৰ্যসূচীবোৰ suspend কৰিব লাগে। As a Speaker, মোৰ কথাটো হ'ল সেই বিষয়ৰ কাৰণে আমি হাউচ suspend কৰি অকল সেই বিষয়টোৱে আলোচনা কৰিবলগীয়া পৰিৱেশ মই দেখা নাই। Admissibility বুলি ক'লে.......(সদনত হুলস্থূল)..... মোক ক'বলৈ নিদিয়ে কিয় কথাটো ?

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ "অসমীয়া প্ৰতিদিন" কাকতত ভূমি কেলেংকাৰীৰ খবৰটো ওলাইছে .... .(সদনত হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** নিউজ পেপাৰত অখিলৰ বিষয়য়েও বহুত বেয়াকৈ লিখে কিন্তু আমিতো নাভাবো যে অখিল বেয়া মানুহ।.......সদনত হুলস্থূল..... মাননীয় সদস্য সকল বহক। মই বুজি নাপাওঁ যে আপোনালোকে মাননীয় অধ্যক্ষই ক'লে মিছা কোৱা বুলি কিয় ভাৱে? মই অধ্যক্ষই মোৰ মতে একো নকও। মই আপোনালোকক আকৌ দোহাৰি দি আছো আমাৰ ৰুলখনত কি কৈছে? The restriction of power to make motion. আমি প্ৰথমতে ৰুলটো শিকিব লাগিব যিহেতু কোনো মানুহৰ মতে সেইটো নচলে। আমাৰ ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিচত ড০ আম্বেদকাৰ

ডাঙৰীয়াৰ নেতৃত্বত সংবিধানখন যদি ৰচিত কৰি নগ'লে হয়, তেতিয়া হ'লে আমি কিহৰ ওপৰত বেচ কৰি চলিলোহেঁতেন ? বিধান সভাত বিভিন্ন ৰাজনৈতিক দল, বিভিন্ন চিন্তা ধাৰা,বিভিন্ন ধৰণৰ vision থকা ব্যক্তি সকলে ইয়াত প্ৰতিনিধিত্ব কৰিবলৈ আহে, কিন্তু নিজৰ মতে প্ৰত্যেকে যদি যায়, তেতিয়া বিধান সভাত আমি কেনেকৈ সিদ্ধান্ত ল'ব পাৰিম। ইয়াত থকা প্ৰত্যেকজন প্ৰতিনিধিৰে কথা গুৰুত্বপূৰ্ণ, তথাপিও আমি যেতিয়া সংবিধানৰ আধাৰত কিবা এটা সিদ্ধান্ত ল'ব লাগে তেতিয়া আমাক two third majority লাগে। ইয়াত কোনোবাই কোৱা কথাটো যুক্তিসংগত আছিল বুলি ক'লেও সেইটো আমি মানি ল'ব নোৱাৰো। যদি সাধাৰণভাৱে ৰুল কিবা-কিবি সংশোধন কৰে, তেন্তে আমাৰ ৫১% হ'লে সেইটো গৃহীত হয়, যিমানেই ভাল কথা নহওক ৪৯ পাৰচেন্ট যদি হয় তেতিয়া সেইটো গৃহীত নহয়। এইটো হ'ল আমাৰ ডেম'ক্ৰেচিৰ ছিষ্টেম। এতিয়া সেই ছিষ্টেমৰ ওপৰতে যেতিয়া adjournment motion ৰ কথা কৈছে কোনটো কোনটো বিষয়ত adjournment motion আনিব পাৰি চাব লাগিব।

মই যিখিনি পাইছো , সেইখিনি মই আপোনাক অৱগত কৰিব বিচাৰিছো। ইয়াত আছে not more than one such motion shall be made at the same sitting. আমি ৫ দিনীয়া অধিবেশনৰ এদিনহে adjournment motion আনিব পাৰো। Not more than one matter can be discussed on the same motion and the motion must be restricted to a specific matter of recent occurrence. সেইটো recent নহয়, পেপাৰে কৈছে, যিটো সংবাদ মাধ্যমে কোৱা বুলি কৈছে here is sent. কিন্তু যিটো ঘটনা হৈছে ২০০৬ চনত। এইটো ৰিচেন্ট হ'ব নোৱাৰে। .....হুলস্থুল.... অখিল ডাঙৰীয়া আপুনি বহক। যদি ঘটনা হৈছে, আপুনি উপায়ুক্তৰ ওচৰত যাওঁক, বিধান সভাত কিয় আহিছে? ইয়াৰ কাৰণে বিধান সভাৰ অধ্যক্ষ দায়ী নহয়। সদনত মাটিৰ কাগজ-পাতি নাপায় নহয়।

(সদনত হুলস্থুল)

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** অধ্যক্ষ মহোদয়, আলোচনা হ'ব লাগিব।

...হুলস্থুল....

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ পাছত কৈছে the motion must not revive discussion on a matter which has been discussed in the same session. আমি যিহেতু আজিহে বহিছো সেই কথাতো আহি নপৰে। The motion must not anticipate a matter which has been previously appointed for consideration or with reference to which a notice of motion has been previously given, regard being had to the probability of the matter anticipated being brought before the House within a resonable time. এইটোৰ লগত সেইটোৰ সম্পৰ্ক নাই। ইয়াৰ আগতে যিহেতু আমি এই বিষয়টো আলোচনা কৰা নাই। The motion must not deal with any matter on which a resolution could not be moved. যিটো resolution আমি move কৰিব নোৱাৰো সেই বিলাক বিষযৰ ওপৰত adjournment motion টো প্ৰযোজ্য নহয়।ইয়াৰ পিচত The motion shall not deal with any matter which is under adjudication by a Court of Law having jurisdiction in any part of India. অসমৰ গৰুখুটি মাত্ৰ । মানে অসমৰ under ত সেইটোও নহয়।ভাৰতবৰ্ষৰ যিখিনি বিষয়, যিটো sub-judice হৈ আছে, ইয়াৰ ওপৰত আমি

adjournment motion আনি হাউচত আলোচনা কৰিব নোৱাৰো। যিহেতু গৰুখুটিৰ কথাটো কৈ থকা হৈছে। The motion shall not raise a question of privilege কাৰো ওপৰত আমি privilege ৰ বিষয় লৈ adjournment motion আনি কথা পাতিব নোৱাৰো। সেই বাবে মই অখিল গগৈ ডাঙৰীয়াক কৈ আছো যে কাৰো নাম ল'ব নালাগে হাউচত। যিটো বিষয় লৈ ইয়াত adjournment motion আনিছে ইয়াত এইটো কাৰো বিষয় নহয়। মাটিৰ land policy,ক'ৰবাত ইয়াত irrigularities আছে, সেইটোৰ ওপৰত motion আহিছে। Discussion ৰ সময়ত reference ত কাৰোবাৰ কিবা থাকিলে সেইবিলাক চলিব। কিন্তু এতিয়া admisibility ক্ষেত্ৰত এই বিষয়টো, যিটো আমাৰ নটিচত লিখিছে, সেইটোৰ ওপৰত চৰ্চা হৈ আছে। That it must not relate to a matter which is not primarily the concern of the Government of the State. এইখিনি বিষয়ৰ ক্ষেত্ৰত যিটো আজি adjournment motion আনিছে কিন্তু ঘটনা ২০০৬ চনৰে পেপাৰে এতিয়া কৰ পৰা দিলে, গতিকে আজি যদি আমি ২০০৬ চনৰ পৰা ২০২০ যদি সেইটো হ'ব পাৰে আমি কালি পৰহি এই বিষয়টোত আলোচনা কৰিব পাৰিম। মোৰ concern টো হৈছে যে House স্থগিত ৰাখি অন্য গুৰুত্বপূৰ্ণ বিষয় বিলাক বাদ দি এই বিষয়ত আলোচনা কৰিবলগীয়া আছে বুলি মই নাভাবো ।

.....সদনত হুলস্থূল...

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, it is a matter of an urgent and public importance বুলি আপুনি পঢ়া নাই ? আপুনি এই বিষয়টো আলোচনা কৰিবলৈ দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ভৰত নৰহ ডাঙৰীয়া, কিবা ক'ব খুজিছেঙ্গ

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, নহ'ব, আলোচনাটো কৰিব দিয়ক আৰু এই বিষয়ে তদন্ত কৰিলেহে ওলাব কোন দোষী, যদি দোষী নহয়। আলোচনাটো কৰিব দিয়াত কি আপত্তি আছে অধ্যক্ষ মহোদয় ?

**মাননীয় অধ্যক্ষ** ঃ আলোচনা কৰাত মোৰ আপত্তি নাই কিন্তু সদন স্থগিত ৰাখি আলোচনা কৰাত সেইটো আপত্তি আছে।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা)** ঃ ছাৰ, Koul and Shakdar ৰৰ Practice and Procedure খন আমি বিধান সভাৰ গাইড লাইন হিচাপে ব্যৱহাৰ কৰো। ইয়াত ৫৬২ পৃষ্ঠাত সেইটো উল্লেখ আছে, যিটো আমাৰ বিৰোধী দলপতি ডাঙৰীয়াই কৈছে। ইয়াত এটা কথা আছে যে Admisibility of Adjornment Motion, an adjorment motion is to be admissible ..... সদনত হুলস্থূল.....

**শ্ৰী পিয়ুষ হাজৰিকা (মন্ত্ৰী)** ঃ এইটো ইতিমধ্যে reject কৰা হৈছে । .. সদনত হুলস্থূল.....

**মাননীয় অধ্যক্ষ** ঃ মই কওঁ শুনক, ইয়াত যিটো সভা স্থগিত প্ৰস্তাৱ আনিছে মই reject কৰিছো। .. সদনত হুলস্থূল.....সেইটোৰ কাৰণে মই আজি সিদ্ধান্ত লৈছো।

.. সদনত হুলস্থূল.....

**মাননীয় অধ্যক্ষ** ঃ আপোনালোক সকলোৰে বহক। অসম বিধান সভাৰ কাৰ্য্য আৰু প্ৰক্ৰিয়াৰ কাৰ্য্যপৰিচালনাৰ নিয়মাৱলী অধীনত.. সদনত হুলস্থূল.....

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যিটো সভা স্থগিত প্ৰস্তাৱ আনিছো

সেইটোৰ বিষয়ৰ ওপৰত অকমান ক'বলৈ দিয়ক।

**মাননীয় অধ্যক্ষ** ঃ বিষয়টো Sub-Judice হৈ আছে।

**শ্ৰী আমিনুল ইছলাম (ধিং)** ঃ অধ্যক্ষ মহোদয়, this matter is not sub-Judiced আমাক অকমান ক'বলৈ দিয়ক।

**মাননীয় অধ্যক্ষ** ঃ মই এতিয়া অসম বিধান সভাৰ কাৰ্য্য আৰু প্ৰক্ৰিয়াৰ কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৯ (১) নিয়মৰ অধীনত সদন পৰিচালনাৰ বাবে মনোনীত সভাপতি সকলৰ নাম ঘোষণা কৰিছো, তেখেত সকল হ'ল - সৰ্বশ্ৰী প্ৰদীপ হাজৰিকা, প্ৰশান্ত ফুকন, হাফিজ ৰছিৰ আহমেদ, অব্দুৰ ৰছিদ মণ্ডল।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্য্যসূচী নং -৫ শ্ৰী মৃণাল শইকীয়া।

**শ্ৰী আমিনুল ইছলাম (ধিং)** ঃ আমাৰ বিষয়টো বেলেগ angle ত আছে, আমি সেইটো অনা নাই। আমাক অন্যায় কৰিছে গতিকে আমি সদন ত্যাগ কৰিলো ।

**শ্ৰী মৃণাল শইকীয়া (খুমটাই)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৫৪ নং নিয়মাৱলীৰ অধীনত এটা বিশেষ ভাবে গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত মোক ইয়াত ক'বলৈ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছোঁ । মাননীয় অধ্যক্ষ মহোদয়, অসমত মাজে মাজে এনেকুৱা ঘটনাই সকলোকে জোকাৰি যায় । গোটেই সমাজ জীৱনত এটা ধুমুহাৰ সৃষ্টি হয় । আমি নিজেই জীৱ শ্ৰেষ্ঠ মানুহ হিচাপে যি উপাধি লৈ থৈছো, সেই মানুহ হিচাপে চিনাকী দিবলৈ আমাৰ লাজ ল'গা হৈছে । আমাৰ অসমত witch hunting ৰ নামত, ৰাস্তা-পথৰ দুৰ্ঘটনাৰ নামত, আন্দোলনৰ নামত কিমান কি ঘটনা হৈছে, কিমানে মৃত্যুবৰণ কৰিছে, কিমানে লাঞ্চিত হৈছে তাৰ সীমা সংখ্যা নাই। শেহতীয়া ভাবে কেইটামান ঘটনাই অসমীয়া জনজীৱনক বাৰুকৈ জোকাৰি গৈছে আৰু আমি বিশ্বৰ দৰবাৰত হওঁক বা ভাৰতীয় প্ৰেক্ষাপেতেতই হওঁক অসমীয়া হিচাপে নিজে লজ্জিত হৈছো । আজি কাৰ্বি আংলংত ঝংকাৰ শইকীয়াৰ হত্যাকাণ্ড, অভি-নীলৰ হত্যা কাণ্ড বুলি কলে সকলোৰে গাৰ নোম শিহৰী উঠে। শেহতীয়া ভাবে যোৰহাটৰ অনিমেশ শইকীয়া নামৰ এজন যুৱকক তিলতিলকৈ কোনো দোষ নহোৱাকৈ মৃত্যুৰ মুখলৈ ঠেলি দিয়া হ'ল। অলপতে ৰঙাপাৰাৰ এগৰাকী ৫৩ বছৰীয়া মহিলাক ডাইনী হিচাপে স্বীকৃতি দি হত্যা কৰা হৈছে। সৌ-সিদিনা সাপেখাতিত এগৰাকী ৮০ বছৰীয়া বৃদ্ধাক কেইবাদিনো ধৰি অত্যাচাৰ কৰি থকা হৈছিল । এনেকুৱা ধৰণৰ ঘটনা প্ৰায়ে হৈ আছে।

এনে ধৰণৰ Mob Violence/Mob Lynching ঘটনা বিলাকৰ প্ৰকৃত দোষীয়ে শাস্তি নাপায় কাৰণ এনেধৰণৰ ঘটনাত বহু মানুহ জড়িত হৈ থাকে। যিহেতুকে এনেধৰণৰ অপৰাধমূলক ঘটনাত বহু মানুহ জড়িত হৈ থকাৰ দৰে থাকে, সেয়েহে যি সকল প্ৰত্যক্ষদৰ্শী থাকে তেওঁলোকৰ কোনোৱে সাক্ষী দিবলৈ নাহে, ফলত প্ৰকৃত দোষীয়ে শাস্তি নাপায়। কোনো কোনো ঘটনাত যিজন ভুক্তভোগী থাকে সেইজন বাহিৰৰ ঠাইৰ হয়, আনহাতে যিবিলাক অপৰাধী থাকে সেইবিলাক স্থানীয় লোক হোৱা দেখা যায়। সেই কাৰণে সেই স্থানীয় লোক সকলৰ বিৰূদ্ধে আইনগত ভাবে শাস্তি দিবলৈ সক্ষম নহয়। এতিয়া সংবাদ মাধ্যমত পাই আছো যে যোৰহাটত অনিমেশ শইকীয়া হত্যাকাণ্ড হ'ল তাৰ কাৰণে সাক্ষীবাদী বিচাৰি আৰক্ষী প্ৰশাসনে ধপলিয়াই থাকিব লগীয়া হৈছে। কোনেও সাক্ষীবাদী দিবলৈ প্ৰস্তুত নহয় আৰু ইয়াৰ কাৰণে বিশেষ আইন এখনো অসমত নাই। আজি যি MobViolence/Mob Lynchingৰ ঘটনা হয় এইবিলাক ঘটনা প্ৰতিৰোধ কৰিবৰ কাৰণে কেইবাখনো ৰাজ্যত ইতিমধ্যে আইন প্ৰণয়ন কৰিছে । মণিপুৰত Manipur Protection From Mob Violence Ordinance, 2008 চনত হৈছিল, ৰাজস্থানত হৈছিল

The Rajasthan Protection from Lynching Act, 2019 , পশ্চিম বংগত The West Bengal (Prevention of Lynching) Act, 2019 আদি পাছ কৰা হৈছে আৰু অসমতো The Assam Witch Hunting Prohibition Prevention and Protection Act, 2015 পাছ কৰা হৈছে। ইয়াৰ পিছতো আমাৰ অসমত ডাইনী সন্দেহত বহু মানুহ শোষিত আৰু লঘু লাঞ্চিত হৈয়ে আছে। অসমত আন্দোলনৰ নামতো এচামে Mob-violance আৰম্ভ কৰিছে। mob lynching ত যিসকল জড়িত হয় তেওঁলোকৰ শাস্তি হৈ নুঠেগৈ, কিয়নো বহু মানুহ এই ঘটনাৰ লগত জড়িত হৈ থাকে। যেতিয়া বহু মানুহ হয় তেতিয়া প্ৰত্যক্ষ দৰ্শী সকল জড়িত হৈ থকাৰ নিচিনা হয় আৰু সেয়ে তেওঁলোকৰ শাস্তি নহয় গৈ আৰু কোনেও সাক্ষীবাদী দিবলৈ নাহে। কেতিয়াবা যিজন ভিকটিম হয়, তেওঁ হয় বাহিৰৰ লোক আৰু অপৰাধী সকল স্থানীয় লোক হোৱাৰ কাৰণে সেই স্থানীয় লোক সকলৰ বিৰূদ্ধে কোনেও সাক্ষীবাদী দিবলৈ নোযোৱাৰ বাবে আমি আইনগত ভাৱে শাস্তি দিবলৈ সক্ষম নহয়। এতিয়া সংবাদ মাধ্যমত পাই আছো যে যোৰহাটত অনিমেষ ভূঁঞাৰ যি হত্যাকাণ্ড হ'ল তাৰ কাৰণে সাক্ষীবাদী বিচাৰি আৰক্ষী প্ৰশাসনে ঢাপলিয়াই ফুৰিব লগীয়া হৈছে কিয়নো কোনেও সাক্ষীবাদী দিবলৈ আগবাঢ়ি অহা নাই আৰু ইয়াৰ কাৰণে বিশেষ আইন এখনৰো ব্যৱস্থা অসমত নাই। আজি mob violence বা mob lynching প্ৰতিৰোধৰ বাবে কেইবাখনো ৰাজ্যত ইতিমধ্যে আইন প্ৰনয়ণ কৰিছে। মণিপুৰত "The Manipur Protection form mob violence ordinence" 2018 ত হৈছে। ৰাজস্থানত "The Rajasthan Protection form lynching Bill" 2019 ত পাচ কৰা হৈছে, West Bengal ত "The West Bengal Prevention of lynching Bill, 2019 ত পাচ কৰা হৈছে আৰু অসমতো ২০১৫ চনত " The Assam Witch Hunting (Prohibition, Prevention and protection) Act" 2015 ত পাচ কৰা হৈছিল, কিন্তু তাৰ পিছতো ডাইনী সন্দেহত মানুহ নিধন, লাঞ্চিত হৈ আছে। অসমত আন্দোলনৰ নামতো এচামৰ দ্বাৰা mob violence হৈ আছে। সৌ সিদিনা আমাৰ সতীৰ্থ বিধায়ক শ্ৰী বিনোদ হাজৰিকাৰ ঘৰটো ভাঙি জ্বলাই দিয়া হৈছিলে। ৰাস্তাই-ঘাটে অসম বন্ধৰ নামত, আন্দোলনৰ নামত বহু মানুহে অপমানিত, লাঞ্চিত হৈ আছে আৰু কিমানৰ গাড়ী-মটৰ ভাঙি পেলাইছে তাৰ কোনো সীমা-সংখ্যা নাই, কিয়নো অসমত আন্দোলনৰ সংখ্যা বেছি। মাননীয় অধ্যক্ষ মহোদয়, সেয়েহে ২০১৬ চনত Supreme Court ত Repetition No.754 ত যিটো হৈছে, Supreme Court ৰ সেই গাইড লাইনচ্ কিছুমান ৰাজ্যিক চৰকাৰ সমূহলৈ দিয়া হৈছে আৰু তাত road violence ত যিবিলাক ভিক্টিম হয়, তেওঁলোকক কম্পেচেশ্যন দিয়া ইত্যাদি বিচাৰ কৰিবৰ কাৰণে ডেজিগনেটেড কোৰ্ট, ফাষ্ট ট্ৰেক কোৰ্ট বহুৱাৰ নিৰ্দ্দেশনা দিয়া হৈছে। কিন্তু অসমত এতিয়ালৈকে এইখিনি হোৱা নাই। সেয়ে মই বিচাৰো এই বিষয়ত সঠিক, সৰলভাৱে আলোচনা হওঁক আৰু অসমত যাতে এনেকুৱা ঘটনা বিলাক হ'ব নোৱাৰে, অভি-নীল, ঝংকাৰ শইকীয়া, অনিমেষ ভুঞাৰ ৰ দৰে ঘটনা বিলাক হ'ব নোৱাৰে, তাৰ কাৰণে এনেকুৱা এখন আইন বনাওঁক, তাৰ বাবে আলোচনা হৈ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী পিয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী মৃণাল শইকীয়া ডাঙৰীয়াই এটা অতি গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত rule 54 ৰ অধীনত এই আলোচনাতো উত্থাপন কৰিছে। হয়, কেতিয়াবা কেতিয়াবা টিভি ৰ পৰ্দাত কিছুমান দৃশ্য দেখিলে গাৰ নোম শিয়ৰি উঠে।

কেইবছৰমানৰ আগত অভি-নীল ঘটনাৰ যি দুখ লগা, বেদনা দায়ক ভি ডি অ' ফুটেজ টি ভি ৰ যোগেদি আমি দেখিবলৈ পাইছিলো, সেইটো আকৌ কৈছো গাৰ নোম শিয়ৰি উঠা, অত্যন্ত বেদনা দায়ক। তাৰ আগতে ঝংকাৰ শইকীয়া নামৰ এজন যুৱককো mob lynching কৰি হত্যা কৰা হৈছিলে। সৌ সিদিনা যোৰহাটত অনিমেষ ভূঞাক হত্যা কৰা হ'ল। এনেকুৱা ঘটনা হোৱাৰ পিছত আমি সকলোৱে মানসিক ভাৱে বহু কষ্ট পাওঁ। আগতে ঘটনা বিলাক টি ভিত নেদেখো কাৰণে আমি গম নাপাওঁ। কিন্তু এই দুটা ঘটনা আমি টি ভি ত দেখা পোৱাৰ কাৰণে কেনেকৈ অভি-নীলে আমাক নামাৰিবা নামাৰিবা বুলি কান্দিছিল, অনিমেষ ভূঞাৰ ক্ষেত্ৰত কি হৈছিল, এনে পৰিস্থিতিত এনেকুৱা লাগে যেন নিজৰ ঘৰৰ মানুহে কোনোবা ঢুকাইছে। গতিকে মৃণাল শইকীয়া ডাঙৰীয়াই এটা অত্যন্ত গুৰুত্বপূৰ্ণ কথা কৈছে, mob lynching প্ৰতিৰোধ কৰিবলৈ ডেফিনেটলী আমি ব্যৱস্থা ল'ব লাগিব। Mob lynching বা গণ-প্ৰহাৰত মৃত্যু হোৱা ঘটনা প্ৰতিৰোধ কৰিবলৈ পৃথক আইন আমাৰ ৰাজ্যত এতিয়ালৈকে প্ৰনয়ণ কৰা হোৱা নাই। এতিয়ালৈকে উক্ত ঘটনাসমূহ ভাৰতীয় দণ্ডবিধি আইনৰ অষ্টম অধ্যায়ত (Of Offences agaist the Public Tranquillity ৰাজহুৱা শান্তি বিঘ্নিত হ'ব পৰা অপৰাধ সমূহ) আৰু ষষ্ঠদশ অধ্যায়ত (Of Offences affecting Human Body) সন্নিবিষ্ট আইনৰ ধাৰা সমূহৰ ওপৰত ভিত্তি কৰিয়েই তদন্ত কৰি থকা হৈছে। কিন্তু আমাৰ কাৰণে এটা ভাল কথা যে আমি কেইবাটাও কেচ ফ্ৰাষ্ট ট্ৰেক কৰিছো। টিয়ক সমষ্টিত আমাৰ এগৰাকী ডাক্টৰক mob lynching ত হত্যা কৰা হৈছিল আৰু অপৰাধীয়ে ইয়াৰ শাস্তি পাইছে আৰু বাকী গোটেই কেইটা কেচেই ফ্ৰাষ্ট ট্ৰেক হৈ চলি আছে। মই ভাৱো যে অতি সোনকালে এই দোষীসকলে শাস্তি পাব। মই আকৌ কৈছো, তেখেতে এটা কথা কৈছে যে মণিপুৰ আৰু ৰাজস্থানত চৰকাৰে mob lynching ৰ ট্ৰেক টো আনিছে কিন্তু আমাৰ হাতত এতিয়ালৈকে সেই তথ্য নাই। তেখেতে যিহেতু খুব চিৰিয়াচ ডিচকাশ্যন আনিছে গতিকে আমি তথ্যখিনি পালে বিচাৰ-খোচাৰ কৰিম। আমি সেই ৰাজ্য সমূহৰ ৰেফাৰেঞ্চ সমূহ আনিম আৰু অতি সোনকালে এই আইন প্ৰনয়ণৰ কাৰণে অতি সোনকালে যত্ন কৰিম। কোন বিলাক ঘটনা mob lynching ত আছে সেই লৈ এটা ইচ্ছ্যু আছে, কিন্তু ভাৰত চৰকাৰে Tehseen S Poonawalla Case ত এটা ভাৰডিক্ট দি থৈছে, তাৰ পৰাও আমি এই আইনৰ ব্যৱস্থা কৰিব পাৰিম বুলি মই ভাৱো। উল্লেখনীয় যে ভাৰতৰ উচ্চতম ন্যায়ালয়ে WP(C) No. 754/2016 (Tehseen S Poonawalla-Vs-UOI & Ors.) লেখ আবেদনখনত ইংৰাজী ১৭-০৭-২০১৮ তাৰিখে mob lynching (দলবদ্ধ হত্যা আৰু গণ উন্মাদনা) ৰোধ কৰাৰ ক্ষেত্ৰত দিয়া ৰায়দানৰ প্ৰতিলিপি ইতিমধ্যে অসম আৰক্ষী সঞ্চালক প্ৰধান, অসম আৰক্ষীৰ বিশেষ শাখা, অপৰাধ অনুসন্ধানকাৰী বিভাগ, আইন বিভাগ, সকলো জিলা উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকলৈ মানি চলাৰ বাবে প্ৰেৰণ কৰা হৈছে (নিৰ্দ্দেৰ্শনা সমূহ সদনত দাখিল কৰা হৈছে) ।অসম আৰক্ষীৰ ফালৰ পৰাও এই সন্দৰ্ভত সকলো আৰক্ষী অধীক্ষকলৈ প্ৰয়োজনীয় নিৰ্দ্দেশ জাৰি কৰিছে আৰু এই সন্দৰ্ভত তেওঁলোকে সম্পাদন কৰিব লগীয়া কাৰ্য্যসমূহ ও পালন কৰিব লগীয়া দায়িত্ব সমূহ উনুকিয়াই এখনি বিজ্ঞপ্তি (নটিফিকেশ্যন) জাৰি কৰা হৈছে।

মাননীয় উচ্চতম ন্যায়ালয়ৰ আদেশ অনুযায়ী mob lynching ৰ ক্ষেত্ৰত "Assam Victim Compensation Scheme 2012" অধীনত ক্ষতিপূৰণ প্ৰদানৰ ব্যৱস্থা কৰি এখনি বিজ্ঞপ্তি জাৰি কৰা হৈছে।

এই সন্দৰ্ভত উল্লেখ কৰিব পৰা যায় যে মহামান্য উচ্চতম ন্যায়ালয়ে উক্ত গোচৰটোত

ইংৰাজী ২৮-০৯-২০১৮ তাৰিখে প্ৰদান কৰা ৰায়দান অনুসৰি বিভিন্ন ছপা আৰু বৈদ্যুতিন মাধ্যমৰ যোগেদি চৰকাৰৰ ফালৰ পৰা গোহাৰি প্ৰকাশ কৰা হৈছিল।

আইন প্ৰণয়নৰ ক্ষেত্ৰত উল্লেখ কৰিব পৰা যায় যে মহামান্য উচ্চতম ন্যায়ালয়ে ইংৰাজী ১৭-০৭-২০১৭ তাৰিখে ভাৰত চৰকাৰৰ দ্বাৰা দলবদ্ধ হত্যা আৰু গণ উন্মাদনাৰ ক্ষেত্ৰত সুকীয়া দণ্ডবিধি প্ৰস্তুত কৰাই আৱশ্যকতাৰ আশা ব্যক্ত কৰিছে।

গতিকে Tehseen S Poonawalla-Vs-UOI & Ors, এই কেচটো mob lynching Act ৰ বাবে আশাৰ ৰেঙণি। এই ক্ষেত্ৰত চুপ্ৰিম কোৰ্টে যথেষ্ট গাইড লাইন দিছে আৰু সেই গাইড লাইন সমূহ ৰাজ্য সমূহলৈ আহিছে আৰু আমি অসম আৰক্ষী সঞ্চালক প্ৰধান, অসম আৰক্ষীৰ বিশেষ শাখা, অপৰাধ অনুসন্ধানকাৰী বিভাগ, আইন বিভাগ, সকলো জিলা উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকলৈ প্ৰেৰণ কৰিছো আৰু ৰাজ্য সমূহে মানি লৈ কাম কৰিছে। গতিকে অবকাশ নিশ্চয় আছে আৰু শইকীয়া ডাঙৰীয়াই যিটো কৈছে যে ইতিমধ্যে কেইবাখনো ৰাজ্যই mob lynching ৰ আইন আনিছে সেই বিষয়ে আমি অসম চৰকাৰে ভালদৰে চিন্তা-চৰ্চা কৰিম আৰু যিখিনি কেচ ইতিমধ্যে হৈ গৈছে, সেইখিনি আমি ফাষ্ট ট্ৰেক কোৰ্টেৰে বিচাৰ কৰি দোষীক শাস্তি দিয়াৰ ব্যৱস্থা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ৬। ৩০১। শ্ৰী হেমাঙ্গ ঠাকুৰীয়া।

**শ্ৰী হেমাংগ ঠাকুৰীয়া (পলাশবাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা গুৰুত্বপূৰ্ণ বিষয় মই আমাৰ মাননীয় ৰাজহ মন্ত্ৰী মহোদয় লগতে চৰকাৰ আৰু সদনক জ্ঞাত কৰিব বিচাৰিছো। মোৰ সমষ্টিৰ অন্তৰ্গত চানডুবি অঞ্চলত তিনিখন ৰাজহ গাওঁ আছে এখন হ'ল বিৰু গাওঁ, ৰাজাপাৰা আৰু সৎপুৰ গাওঁ পঞ্চায়ত আৰু প্ৰায় ৩৫ হাজাৰতকৈ অধিক ব্যক্তি তাত বসবাস কৰে আৰু তেওঁলোক আমাৰ খিলঞ্জীয়া ব্যক্তি হয়। তাত আমাৰ ৰাভা, বড়ো, তিৱা, কোচ ৰাজবংশী অন্য অন্য ব্যক্তিসকল বসবাস কৰি আহিছে আৰু স্বাধীনতাৰ সময়ত ৫ হাজাৰ মান ব্যক্তিহে তাত বসবাস কৰিছিল, কিন্তু বংশানুক্ৰমে তাত বংশ বৃদ্ধি হয়। বৰ্তমান জনসংখ্যা ৩৫ হাজাৰতকৈ অধিক হৈছে। তাত কোনো অবৈধ নাগৰিক নাই। কিন্তু অধ্যক্ষ মহোদয় এটা বৃহৎ সমস্যাই তাত বহু বছৰৰ পৰাই জুৰুলা কৰি আহিছে, সেই সমস্যাটো এনেকুৱা ধৰণৰ বৃহত্তৰ এলেকাটো এতিয়া বন বিভাগৰ অন্তৰ্ভুক্ত হয়। যাৰ ফলত শ শ বছৰ বাস কৰাৰ পিছতো তেওঁলোকৰ মাটি ম্যাদি পাট্টা হোৱা নাই, তেওঁলোকে বহু চৰকাৰী আঁচনিৰ পৰা বঞ্চিত হৈ আছে। ইয়াৰ উপৰি যদি তাত চৰকাৰী প্ৰজেক্ট বিলাক বহুৱাব লগীয়া হয় মই উদাহৰণ হিচাবে কওঁ অলপতে আমি ফুলৰ ফিল্ডত মিনি ষ্টেডিয়ামৰ কাৰণে চৰকাৰী ভাবে প্ৰপোজেল দিছিলো। পিছত গম পোৱা গ'ল যে, সেইটো বন বিভাগৰ মাটি হয়, যাৰ ফলত নেকি আমি বন বিভাগৰ পৰা এন ও চি নোপোৱাৰ ফলত তাত আমি ষ্টেডিয়ামটো এতিয়ালৈকে বনাব পৰা নাই। ইয়াৰ উপৰি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক, কেইদিনমান আগতে অনুৰোধ জনাইছিলো যে, আমাৰ বৃহত্তৰ চানডুবি এৰিয়াত মোৱাইল টাৱাৰ ঠিক নাথাকে। সেই মোৱাইল টাৱাৰটো বহোৱাৰ কাৰণে মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাওতে মুখ্যমন্ত্ৰী মহোদয়ে নিৰ্দেশনা দিছিল মোৱাইল টাৱাৰ বহুৱাব লাগে বুলি যাতে তাত কানেক্টিভিটি ভাল হয়। কিন্তু মোৱাইল টাৱাৰ সংস্থাপনৰ ক্ষেত্ৰটো যিহেতু বন বিভাগৰ মাটি আছে তাত আমাৰ অসুবিধাৰ সৃষ্টি হৈছিল। মাননীয় অধ্যক্ষ মহোদয়, ১৯০১ চনত মাত্ৰ আমাৰ ৩২ লাখ মানুহ অসমত আছিল, ১৯৫১ চনত এইটো বাঢ়ি গৈ ৮০ লাখ হ'ল। ১৯৭১ চনত ১ কোটি ৪৬ লাখ হ'ল। ২০১১ চনত ৩ কোটি ১২ লাখ হ'ল। বৰ্তমান যদি চোৱা যায় আমাৰ প্ৰায় ৩ কোটি ৩৫ লাখ মানুহ আছে।

আমাৰ অসমৰ এতিয়ালৈ ২৬ হাজাৰ ৮৩২ square kilometer এতিয়া forest land আছে, যিটো নেকি আমাৰ ৩৪.২ শতাংশ। তাৰে Reserved forest হিচাবে ৬৬.৫ শতাংশ আছে আৰু unclassed forest আছে ৩৩.৪২ শতাংশ। মাননীয় অধ্যক্ষ মহোদয়, মইও নিজে এজন পৰিৱেশ বিজ্ঞানৰ ছাত্ৰ আছিলো সেই হিচাবে মই কেতিয়াও ফৰেষ্ট ধ্বংস হোৱাটো নিবিচাৰো। ecologyical balance maintain কৰাৰ ক্ষেত্ৰত ফৰেষ্ট লাগিবই। মই আমাৰ যিটো এৰিয়াৰ কথা ক'লো, এই এৰিয়াটো যিহেতু বৃহত্তৰ এলেকা তাত যিখিনি খিলঞ্জীয়া মানুহ আছে তেওঁলোকে পূৰ্বপুৰুষৰ পৰা তাত আছে, তেনেদৰে আমাৰ অঞ্চলতে নহয় গোটেই যিখিনি আমাৰ ট্ৰাইৱেল সম্প্ৰদায়ৰ লোক আছে, তেওঁলোকে পাহাৰ-ভৈয়ামতে বসবাস কৰি আহিছে। তেওঁলোকৰ ক্ষেত্ৰটো এই সমস্যাটোৰ সমাধানৰ সন্মুখীন হৈ আছে। যাৰ ফলত মাটি অদান প্ৰদান নোহোৱাৰ বাবে তেওঁলোকৰ ল'ৰা-ছোৱালী বা স্বামীৰ নামত মাটি নাহে, তেতিয়া তেওঁলোকে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈ আহিছে। ইয়াৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ক মই কেন্দ্ৰীয় চৰকাৰৰ লগত বিষয়টো আলোচনা কৰিব লাগে আৰু মই যিহেতু সেইটো সমষ্টিৰে বিধায়ক তাত মই ডেভলপমেন্টৰ কাম কৰিব পৰা নাই। তাত এটা চৰকাৰী প্ৰজেক্ট দিবৰ কাৰণে যথেষ্ট সমস্যাৰ সন্মুখীন হৈ আহিছো, এইটো কাৰণে মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিব বিচাৰিছো, যি বিলাক unutilized land আছে, যদি আমি কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি unutilized land বিলাক যদি ফৰেষ্ট লেণ্ড হিচাপে ঘোষণা কৰি এই মানুহখিনিৰ সমস্যাটোৰ সমাধান কৰিব পাৰি তাৰ কাৰণে মই অধ্যক্ষ মহোদয়ৰ জড়িয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। কিয়নো এজন মানুহে এটা ঘৰ বনোৱাৰ পিছত সেই মানুহজন বহু বছৰ থকাৰ পিছত তেওঁৰ ল'ৰা-ছোৱালী বা স্ত্ৰী জনীৰ নামত ঘৰটো দি যাব বিচাৰে সেই ব্যৱস্থাটোৰ আজি তেওঁলোকে বঞ্চিত হৈ আছে। মই মন্ত্ৰী মহোদয়ক ব্যক্তিগত ভাবেও জনাইছিলো আমাৰ পলাশবাৰী অঞ্চলত বাগান বুলি এটা অঞ্চল আছে, য'ত নেকি আমাৰ বৃটিছৰ সময়তে শ শ বিঘা মাটি চাহ বাগিচাখনক দিয়া হৈছিল। তাৰে কিন্তু বহু সংখ্যক মাটি unutilized হৈ আছিল, যাৰ ফলত আমাৰ তাৰে নিজৰ খিলঞ্জীয়া ব্যক্তি তাত বসবাস কৰি আছিল। সেই মানুহখিনিক আজিলৈকে ম্যাদি পট্টা কৰিব পৰা নাই। কিয়নো সেইখিনি unutilized মাটি। বৃটিছে দিছে যদিও তাত কিন্তু চাহৰ উৎপাদন কৰা নাই। সেই মাটিখিনিও সেই খিলঞ্জীয়া মানুহখিনিৰ নামত ম্যাদি কৰণ কৰি দিলে তেওঁলোকে যিখিনি সমস্যাত ভুগি আছে সেই সমস্যাৰ পৰা পৰিত্ৰাণ পাব। এইখিনিয়ে মই মন্ত্ৰী মহোদয় আপোনাৰ জৰিয়তে অনুৰোধ জনাইছোঁ।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী যোগেন মোহন (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ Rules of Procedure and Conduct of Business ৰ ৰুল ৩০১ ৰ অধীনত আমাৰ সন্মানীয় বিধায়ক হেমাঙ্গ ঠাকুৰীয়া ডাঙৰীয়াই এটা অতি গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিছে। তেখেতৰ সমষ্টিৰ আৰু পলাশবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত ৰাজাপাৰা আৰু গৌৰীগাওঁ পঞ্চায়তৰ এলেকাত বন বিভাগৰ অন্তৰ্গত দীৰ্ঘদিনীয়া ভাবে বসবাস কৰি থকা লোক সকলক ভূমি আৱন্টন দিব পৰা নাই। কাৰণ এইটো আমি সকলোৱে জানো এই মাটিবোৰ Forest Dweller Act ৰ অধীনত আৰু এই এক্টখনৰ অধীনত বন বিভাগে তেওঁলোকক ভূমি অধিকাৰ দিয়ে। এই ফৰেষ্ট লেণ্ডত SC/ST সকলে ৭৫ বছৰ থাকিব লাগিব আৰু General ৰ ক্ষেত্ৰত তিনিটা পুৰুষ থাকিব লাগিব। এনেকুৱা ধৰণৰ নীতি নিয়ম ফৰেষ্ট এক্টৰ অধীনত আছে। ইতিমধ্যে বহু

ঠাইত বন সংমণ্ডলৰ বিষয়াই যেনেকৈ গড়ভঙা আৰু ৰাণী সংৰক্ষিত বনাঞ্চলত ৮৯২ টা পৰিয়ালক ভূমি আৱন্টন দিয়াৰ ব্যৱস্থা কৰিছে। লগতে পশ্চিম বন সংমণ্ডলৰ বিষয়াই অৱগত কৰা মতে মাণিকপুৰ আৰু ছাকলশ্বীয়া গাওঁৰ ৩৫৭ টা পৰিয়ালক ১১৯ হেক্টৰ মাটি বন সংৰক্ষণ অধিকাৰ আইন অনুসৰি ভূমি আৱন্টন দিছে। অৱশ্যে এনেকুৱা ভূমি কোনো হস্তান্তৰৰ যোগ্য নহয়। গতিকে এই বিষয়টোত বন বিভাগ জড়িত হৈ আছে। এই ক্ষেত্ৰত কেৱল পলাশবাৰীৰ ৰাজহ চক্ৰৰ অধীনতে নহয় অসমৰ বিভিন্ন ঠাইত এনে ধৰণে বসবাস কৰি থকা বহু পৰিয়াল আছে। এই বিষয়টো যদিহে কেন্দ্ৰীয় চৰকাৰে বিবেচনা কৰে তেতিয়া হ'লে আমি অসম চৰকাৰৰ পৰা কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ পঠিয়াব লাগিব। যদিহে এই বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ অধীনত আছে। ফৰেষ্ট লেণ্ডৰ ক্ষেত্ৰত চুপ্ৰিম কোৰ্টৰ বিশেষ নিৰ্দেশনা আছে, এইটো সকলোৱে জানে । VGR আৰু PGR লেণ্ডৰ ক্ষেত্ৰত কোনো ব্যক্তিৰ দখলত থাকে তেতিয়া আমি ৰিজাৰ্ভটো ডি ৰিজাৰ্ভ কৰি হলেও এনেকুৱা ধৰণৰ চৰকাৰী ভূমি দিয়াৰ বাবে যোৱা ৬ মাহত আমি ভূমি আইনৰ বহু সংশোধন কৰিছো। খিলঞ্জীয়া ভাৰতীয় মানুহক ভূমিৰ অধিকাৰ দিয়াৰ বাবে এইখন চৰকাৰ দায়াবদ্ধ। যোৱা বছৰ আমি বহু মাটি আৱন্টন দিছো আৰু এইবাৰো ভূমি আৱন্টন দিয়াৰ প্ৰচেছটো চলি আছে। গতিকে প্ৰচলিত ৰীতি আইনৰ মাজেৰে এই গোটেই কামখিনি চলিব। গতিকে মই মাননীয় বিধায়কজনক এই বিষয়টো Forest dweller Act ৰ অধীনত কামখিনি কৰি তেওঁলোকক ন্যায় দিব লাগিব। লগতে তেখেতে আৰু এটা কথা কৈছে যে, চাহ জনগোষ্ঠী লোকৰ ভূমি আৱন্টৰ কথাটো। এই ক্ষেত্ৰত আমি যোৱা বছৰতে এখন চাৰ্কোলাৰ অসম চৰকাৰৰ পৰা পাছ হৈছিল। চাৰ্কোল ভিত্তিত আমি চাহ জনগোষ্ঠী লোকসকলক মাটিৰ আৱন্টন দিয়াৰ বাবে ADC Revenue ক সভাপতি আৰু চাৰ্কোল অফিচাৰক Member Secretary আৰু এজন চাহ জনগোষ্ঠীয় লোকক সদস্য হিচাবে লৈ এখন কমিটি চাৰ্কোল ভিত্তিত গঠন কৰি তেওঁলোককে গোটেই বিষয়টো বিবেচনা কৰি আৰু তেওঁলোককে তাতেই settlement দিবৰ কাৰণে এখন আইন আছিল আৰু লগত বিভাগ থাকিব। গতিকে এই নিয়মত অসমৰ বিভিন্ন ঠাইত এনেকুৱা ধৰণৰ মাটিবোৰ চৰকাৰী চিলিংয়ে হওঁক বা তেনেকুৱা মাটিবোৰ যিবোৰ তেওঁলোকে বহুদিন ধৰি দখল কৰি আছে, তেনেকুৱা মাটিবোৰ settlement দিব পাৰে।

কমিটি circle wise তেওঁলোকে তাতে বিবেচনা কৰি settlement দিয়াৰ আইন আছিলে লগত বিধায়ক থাকে। তেখেতে সেই circular খনৰ মতে জিলা উপায়ুক্ত আৰু Circle Officer ৰ সৈতে কথা পাতি কমিটিখন বহুৱাই তেওঁলোকৰ যি দীৰ্ঘদিন ধৰি চৰকাৰী ভূমিত বসবাস কৰি আছে, তেওঁলোকৰ settlement দিয়াৰ ব্যৱস্থাটো circle office তে কৰিব পাৰিব। যোৱা বাৰে এখন এনেকুৱা ধৰণৰ notification দিয়া আছে, চাহ জনগোষ্ঠী ৰাইজক settlement দিয়াৰ ক্ষেত্ৰত। মই ভাৰিছো সন্মানীয় বিধায়ক জনে Circle Officer, ADC Revenue ৰ সৈতে কথা পাতি চাহ জনগোষ্ঠী ৰাইজক মাটি allotment ৰ ক্ষেত্ৰত ন্যায়টো দিব। আৰু Forest land ৰ কথাটোত মই বন বিভাগৰ বিষয়াৰ লগত কথা পাতি লগতে বন বিভাগৰ মন্ত্ৰী মহোদয়ৰ লগতো কথা পাতি ল'ম, কেনেধৰণে কিমান বছৰ তেখেতসকলে তাত বসবাস কৰি আছে, ST, SC সম্প্ৰদায়ৰ লোক সকল যদি আছে, তেওঁলোকে ৭৫ বছৰ হ'ব লাগিব আৰু যদি তেওঁলোকৰ তিনিটা prove হৈ যায়, তেতিয়া হলে general সম্প্ৰদায়ৰ লোকসকলোকো দিয়াৰ ব্যৱস্থা আছে। গতিকে এই ব্যৱস্থাৰ জৰিয়তে কথা পাতিলে মই ভাৱো তেখেতসকলে দীৰ্ঘদিন ধৰি বসবাস কৰি থকা আমাৰ খিলঞ্জীয়া ভাৰতীয় মানুহখিনিক ন্যায় দিব পৰা যাব। ধন্যবাদ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, point of clarification। আমাৰ আন্তঃৰাজ্যিক সীমান্তবৰ্তী এলেকা অসমৰ ফালে আছে, অসমৰ ফালে থকা বোৰ্ডাৰ বিলাকত বহু বছৰৰ পৰা জনজাতীয় মানুহবিলাকে বসবাস কৰি আছে। গতিকে এই সীমান্তবৰ্তী এলেকাৰ আগ্ৰাসনটো বন্ধ কৰাৰ কাৰণে সেই সময়ৰ পৰিয়ালক মাটিৰ আৱন্টন দিয়াৰ ব্যৱস্থাটো কৰিব নেকি, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালোঁ।

**শ্ৰী যোগেন মহন (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাই যিটো প্ৰশ্ন উত্থাপন কৰিছে, তেওঁলোকৰ ক্ষেত্ৰতো এইখন আইনে মাটিতো যদি ফৰেষ্টৰ হয় বা চৰকাৰী চিলিং হ'লেতো আমি allotment দিব পাৰিম। মাটিতো যদি ফৰেষ্ট লেণ্ড হলে সেইটো ফৰেষ্ট আইনমতে হ'ব। Forest Dwellers Act খনৰ মতে তেওঁলোকে কিমান দিন ধৰি বসবাস কৰি আছে আৰু যদি special consideration কৰিব লাগে, তেতিয়া হলে অসমৰ চৰকাৰৰ proposal টো আমি কেন্দ্ৰীয় চৰকাৰক দিব লাগিব। কেন্দ্ৰীয় চৰকাৰে recommendation দিলে আমি আনি দিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

এতিয়া শ্ৰীমতী শিৱামনি বৰা, অনুপস্থিত। শ্ৰী অশ্ৰাফুল হুছেইন, অনুপস্থিত।

এতিয়া item no. 7 লৈ আহিম, শ্ৰীমতী অজন্তা নেওগ, বিত্ত মন্ত্ৰী।

**শ্ৰীমতী অজন্তা নেওগ (বিত্ত মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম চৰকাৰৰ বিত্ত (কৰাৰোপন) বিভাগৰ **১৩** খন অসাধাৰণ ৰাজপত্ৰ অধিসূচনা, **৭** এপ্ৰিল **২০২১** ৰ পৰা **৩** নৱেম্বৰ **২০২১** তাৰিখলৈ সদনত দাখিল কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী বিমল বৰা, শক্তি বিভাগৰ মন্ত্ৰী।

**শ্ৰী বিমল বৰা (শক্তি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম চৰকাৰৰ শক্তি বিভাগৰ অসম বিদ্যুত নিয়ামক আয়োগৰ অসাধাৰণ ৰাজপত্ৰ অধিসূচনা, **১৮** চেপ্তেম্বৰ **২০২১** তাৰিখখন সদনত দাখিল কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী, উদ্যোগ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কাৰ্য্যসূচী নং **৯** অনুসৰি মই অসমৰ মুখ্যমন্ত্ৰী মহোদয়ৰ হৈ **২০২০-২১** চনৰ অসমৰ তথ্য আয়োগৰ বাৰ্ষিক প্ৰতিবেদন খন সদনত দাখিল কৰিলো।

মাননীয় অধ্যক্ষ মহোদয়, কাৰ্য্যসূচী নং **১০** অনুসৰি মই অসমৰ মুখ্যমন্ত্ৰী মহোদয়ৰ হৈ **২০২০-২১** চনৰ অসম চৰকাৰৰ কৰ্মচাৰী বিভাগৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদন খন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী অতুল বৰা, মন্ত্ৰী, অসম চুক্তি ৰূপায়ন ইত্যাদি।

**শ্ৰী অতুল বৰা (মন্ত্ৰী, অসম চুক্তি ৰূপায়ণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই **২০২০-২১** চনৰ অসম চৰকাৰৰ অসম চুক্তি ৰূপায়ন বিভাগৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদন খন সদনত দাখিল কৰিলো।

মাননীয় অধ্যক্ষ মহোদয়, মই **২০১৩-১৪, ২০১৪-১৫, ২০১৫-১৬** আৰু **২০১৬-১৭** চনৰ বৰ্ষৰ বাবে অসমৰ কৃষি বিশ্ববিদ্যালয় যোৰহাটৰ পৃথক হিচাপ পৰীক্ষকৰ প্ৰতিবেদনখন সদন দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী ৰঞ্জিত কুমাৰ দাস, মন্ত্ৰী, সাধাৰণ প্ৰশাসন ইত্যাদি।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী, সাধাৰণ প্ৰশাসন ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কাৰ্য্যসূচী নং **১৩** অনুসৰি মই **২০২০-২১** বিত্তীয় বৰ্ষৰ অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদন **২**খন সদনত দাখিল কৰিলোঁ।

মাননীয় অধ্যক্ষ মহোদয়, কাৰ্য্যসূচী নং **১৪** অনুসৰি মই **২০২০-২১** বিত্তীয় বৰ্ষৰ অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদন খন সদনত দাখিল কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী যোগেন মহন, মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি ।

**শ্ৰী যোগেন মহন (মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই **২০২০ -২১** বৰ্ষৰ অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ (সংস্কাৰ) বিভাগৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদনখন সদনত দাখিল কৰিলোঁ।

মাননীয় অধ্যক্ষ মহোদয়, মই **২০২০ -২১** বৰ্ষৰ অসম চৰকাৰৰ খনিজ আৰু খনিজাত সমগ্ৰী বিভাগৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদনখন সদনত দাখিল কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী বিমল বৰা, মন্ত্ৰী, পৰ্য্যটন ইত্যাদি ।

**শ্ৰী বিমল বৰা (মন্ত্ৰী, পৰ্য্যটন ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, কাৰ্য্যসূচী নং **১৭** অনুসৰি মই **২০২০-২১** বৰ্ষৰ অসম চৰকাৰৰ পৰ্য্যটন বিভাগৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদন খন সদনত দাখিল কৰিলোঁ।

মাননীয় অধ্যক্ষ মহোদয়, কাৰ্য্যসূচী নং **১৮** অনুসৰি মই **২০১৭- ১৮, ২০১৮-১৯** আৰু **২০১৯-২০** বৰ্ষৰ বাবে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদন খন সদনত দাখিল কৰিলোঁ।

মাননীয় অধ্যক্ষ মহোদয়, কাৰ্য্যসূচী নং **১৯** অনুসৰি মই **২০২০-২১** বৰ্ষৰ বাবে অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদন খন সদনত দাখিল কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, মন্ত্ৰী, ভূমি সংৰক্ষণ ইত্যাদি ।

**শ্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম (মন্ত্ৰী, ভূমি সংৰক্ষণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই **২০২০-২১** বৰ্ষৰ বাবে অসম চৰকাৰৰ ভূমি সংৰক্ষণ বিভাগৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদনখন সদনত দাখিল কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, দক্ষতা নিয়োগ আৰু উদ্যেমিতা ইত্যাদি ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (দক্ষতা, নিয়োগ আৰু উদ্যোমিতা ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই **২০২০-২১** বৰ্ষৰ বাবে অসম চৰকাৰৰ দক্ষতা, নিয়োগ আৰু উদ্যোমিতা বিভাগৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদনখন সদনত দাখিল কৰিলোঁ।

মাননীয় অধ্যক্ষ মহোদয়, মই **২০২০-২১** বৰ্ষৰ ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ আৰু পলিমাৰ লিমিটেডৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী অশোক সিংহল, মন্ত্ৰী, জলসিঞ্চন ইত্যাদি ।

**শ্ৰী অশোক সিংহল (মন্ত্ৰী, জলসিঞ্চন ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই **২০২০ -২১** বৰ্ষৰ বাবে অসম চৰকাৰৰ জলসিঞ্চন বিভাগৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদনখন সদনত দাখিল কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী, পৰিবেশ আৰু বন ইত্যাদি ।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী, পৰিবেশ আৰু বন ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই **২০১৪-১৫, ২০১৫-১৬, ২০১৬-১৭** আৰু **২০১৭-১৮** বৰ্ষৰ বাবে অসম ৰাজ্যিক জলবায়ু পৰিষদ, গুৱাহাটীৰ পৃথক হিচাপ পৰীক্ষকৰ প্ৰতিবেদন সদনত দাখিল কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী ওয়াজেদ আলি চৌধুৰী, সভাপতি, ৰাজহুৱা হিচাপ সমূহৰ সমিতি, অসম বিধান সভা, তেখেতে ৰিপোৰ্ট দাখিল কৰিব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজহুৱা হিচাপ সমূহৰ সমিতি, অসম বিধান সভা, সভাপতিৰ হৈ মই সমিতিৰ **১৭০** আৰু **১৭১** তম প্ৰতিবেদনসমূহ সদনত দাখিল কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, সভাপতি, ৰাজহুৱা উদ্যোগ সমূহৰ সমিতি, অসম বিধান সভা, তেখেতে ৰিপোৰ্ট দাখিল কৰিব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (সভাপতি, ৰাজহুৱা উদ্যোগ সমূহৰ সমিতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ৰাজহুৱা উদ্যোগ সমূহৰ সমিতি, অসম বিধান সভাৰ **৫৭, ৫৮** আৰু **৫৯** তম প্ৰতিবেদন সমূহ সদনত দাখিল কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি, তেওঁ এটা motion move কৰিব।

**শ্ৰীমতী অজন্তা নেওগ (বিত্ত মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি হৈ প্ৰস্তাৱ উত্থাপন কৰো যে - "এই সদনে মাননীয় সদস্য শ্ৰী সুশান্ত বৰগোঁহাই দেৰে অসম বিধান সভাৰ সদস্য প্ৰাক্কলন সমিতিৰ সদস্য পদটো খালী হোৱাত পদটো পূৰণ কৰিববৈলে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ **১৯৪ (৩)** নং আৰু **২৪৪ (১)** নং দফাৰ অধীনত একল সংক্ৰমণীয় ভোটেৰে আনুপাতিক প্ৰতিনিধিত্ব নীতি অনুসৰি সদনৰ সদস্য সকলৰ মাজৰ পৰা এজন সদস্যক উক্ত সমিতিৰ বাকী থকা কাৰ্য্যকালৰ বাবে সদস্য হিচাপে নিৰ্বাচিত কৰিব"।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী দেৰে অসম বিধান সভাৰ সদস্য পদৰ পৰা ১৮ জুন ২০২১ ইংৰাজী তাৰিখে পদত্যাগ কৰা হেতুকে অসম বিধান সভাৰ অন্যান্য পিছপৰা শ্ৰেণী আৰু অধিক অন্যান্য পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ সমিতিৰ খালী হোৱা পদটো পূৰণ কৰিববৈলে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ১৯৪ (৩) নং আৰু ২৬০ (ছ) (১) নং অধীনত একল সংক্ৰমনীয় ভোটেৰে আনুপাতিক প্ৰতিনিধিত্ব নীতি অনুসৰি সদনৰ সদস্য / সদস্যা সকলৰ মাজৰ পৰা এজন সমস্যক বাকী থকা কাৰ্য্যকালৰ বাবে নিৰ্বাচন কৰিব আৰু উক্ত সদস্যজনে পৰৱৰ্তী সময়ছোৱাৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব ।

**মাননীয় অধ্যক্ষ** ঃ- Hon'ble Minister Shri Ashok Singhal.

**Shri Ashok Singhal (Minister, Housing and Urban Affairs):** Hon'ble Speaker sir, I Shri Ashok Singhal, Minister, Housing and Urban Affairs, Assam beg to move 3(three) Hon'ble Members of the House are to be elected by the Legislative Assembly from amongst its members of the Town & Country Planning Advisory Council as per sub-section 1 (x) of Section 3 of the Assam Town & Country Planning Act., 1959. The election of the above mentioned members is required to constitute the Assam Town & Country Planning Advisory Council which is to be established newly. The Principal Secretary will notify the date, time and place for holding the election, if

necessary.

**মাননীয় অধ্যক্ষ** ঃ- Hon'ble Minister Dr. Ranoj Pegu.

**Dr. Ranoj Pegu (Hon'ble Minister, Education etc.)**: I move that this House do now elect 2(two) members of the Assam Legislative Assembly from amongst themselves to be the members of the Board of Management of KKHSO University under section 17(9) of the KKHSO University Act., 2005.

**মাননীয় অধ্যক্ষ** ঃ- এতিয়া মাননীয় বিত্ত মন্ত্ৰী মহোদয়াই ২০২১-২২ চনৰ পৰিপূৰক দাবী আৰু পৰিপূৰক বিনিয়োজনৰ তালিকা সদনত দাখিল কৰিব।

**শ্ৰীমতী অজন্তা নেওগ (বিত্ত মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয় মই ২০২১আৰু ২০২২ চনৰ পৰিপূৰক দাবী আৰু পৰিপূৰক বিনিয়োজনৰ তালিকা সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ- এতিয়া Hon'ble Chief Minister, ড° হিমন্ত বিশ্ব শৰ্ম্মা।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ- Hon'ble Speaker Sir, I, on behalf of Hon'ble Chief Minister of Assam, I beg to leave to introduce "The Assam Cattle Preservation (Amendment) Bill, 2021".

**মাননীয় অধ্যক্ষ** ঃ- আৰু এটা আছে,

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ- Hon'ble Speaker Sir, I , on behalf of Hon'ble Chief Minister of Assam, I beg to leave to introduce "The Assam Police (Amendment) Bill, 2021".

**মাননীয় অধ্যক্ষ** ঃ- আৰু এটা আছে,

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ- Hon'ble Speaker Sir, I, on behalf of Hon'ble Chief Minister of Assam, beg to leave to introduce "The Assam Direct Recruitment Commissions for Analogous Posts in Class-III and Class-IV Bill, 2021".

**মাননীয় অধ্যক্ষ** ঃ-Hon'ble Minister Shri Chandra Mohan Patowary.

**Shri Chandra Mohan Patowary (Minister, Transport etc.)**: Hon'ble Speaker Sir, I beg to leave to introduce "The Assam Motor Vehicles Taxation(Amendment) Bill, 2021".

**মাননীয় অধ্যক্ষ** ঃ-Hon'ble Minister Shri Atul Bora.

**Shri Atul Bora (Minister, Co operation)**: মাননীয় অধ্যক্ষ মহোদয়, "The Assam Co operative Societies(Amendment) Bill, 2021" বিধেয়কখন মই সদনত উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ** ঃ-Hon'ble Minister Dr. Ranoj Pegu.

**Dr. Ranoj Pegu (Minister, Education etc.) :** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Tribal Development Authority (Repeal) Bill, 2021" বিধেয়কখন মই সদনত উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ** ঃ- আৰু এটা আছে,

**Dr.Ranoj Pegu (Minister, Education etc.) :** মাননীয় অধ্যক্ষ মহোদয় "The Assam Scheduled Castes and Scheduled Tribes (Reservation of Posts in Services)(Amendment) Bill, 2021" বিধেয়কখন মই সদনত উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ** ঃ- আৰু এটা আছে,

**Dr. Ranoj Pegu (Minister, Education etc.) :** মাননীয় অধ্যক্ষ মহোদয় "The Sonowal Kachari Autonomous Council (Amendment) Bill, 2021" বিধেয়কখন মই সদনত উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ** ঃ- আৰু এটা আছে,

**Dr. Ranoj Pegu (Minister, Education etc.) :** মাননীয় অধ্যক্ষ মহোদয় "The Deori Autonomous Council (Amendment) Bill, 2021" বিধেয়কখন মই সদনত উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ** ঃ- আৰু এটা আছে,

**Dr. Ranoj Pegu (Minister, Education etc.) :** মাননীয় অধ্যক্ষ মহোদয় "The Mahapurusha Srimanta Sankaradeva Viswavidyalaya (Amendment) Bill, 2021" বিধেয়কখন মই সদনত উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ** ঃ-Hon'ble Minister Shri Parimal Suklabaidya.

**Shri Parimal Suklabaidya (Minister, Excise etc.) :** মাননীয় অধ্যক্ষ মহোদয় . "The Assam Excise (Amendment) Bill, 2021" বিধেয়কখন মই সদনত উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ** ঃ- Hon'ble Minister Shri Ashok Singhal. item 43.

**Shri Ashok Singhal (Housing and Urban Affairs):** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Municipal ( Third Amendment) Bill, 2021" বিধেয়কখন মই সদনত উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ** ঃ- আৰু এটা আছে,

**Shri Ashok Singhal (Housing and Urban Affairs):** মাননীয় অধ্যক্ষ মহোদয়, "The Guwahati Municipal Corporation (Amendment) Bill, 2021" বিধেয়কখন মই সদনত উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ** ঃ- আৰু এটা আছে,

**Shri Ashok Singhal (Housing and Urban Affairs):** মাননীয় অধ্যক্ষ মহোদয়, "The Guwahati Metropolitan Development Authority (Amendment) Bill, 2021" বিধেয়কখন মই সদনত উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ** ঃ- শ্ৰী দিগন্ত কলিতা, ৰিপৰ্ট চাবমিত কৰিব।

**শ্ৰী দিগন্ত কলিতা (কমলপুৰ)** ঃ- Sir, I beg to lay the 1st Report of the Study Tour to Upper Assam District of Dibrugarh and Tinsukia.

**মাননীয় অধ্যক্ষ** ঃ- Dr. Paramananda Rajbongshi, ৰিপৰ্ট চাবমিত কৰিব।

**Dr. Paramananda Rajbongshi (Sipajhar):** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ Group C ৰ দলপতি হিচাপে বৰাক উপত্যকা ভ্ৰমণৰ প্ৰতিবেদনখন সন্মানীয়

সদনত দাখিল কৰিলোঁ।

**শ্ৰী শ্বেৰমান আলি আহমেদ (বাঘবৰ)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পইন্ট অৱ অৰ্ডাৰ আছে। চাৰ আপুনি আপোনাৰ এছেম্বলীৰ পৰা এখন চিঠি আহিছে regarding e-assembly, ইয়াত কোৱা হৈছে যে hard copy দিয়া ন'হব আৰু soft copy টো Question Hour ৰ পিছত দিব। Annexure বোৰ ন'হলে Question Hour ত লগে লগে নিদিলে, আমাৰ প্ৰশ্নবোৰ কৰাত অসুবিধা হ'ব। hard copy নিদিলে নাই কিন্তু soft copy টো দিলে ভাল হয়।

**মাননীয় অধ্যক্ষ** ঃ- এই বিষয়ত অলপ আগত কথা হৈ গ'ল, আপুনি নাছিল। কালি যথোপযুক্তভাৱে সকলো পাই যাব। Annexure খিনি Printed নাপাব। Annexure খিনি online ত পাব। সময় হোৱাৰ লগে লগে সেইটো ৰিলিজ কৰি দিয়া হ'ব। আপোনালোকে লেপটপ আনিব পাৰে।

(The House adjourned till 9-30 A.M. on 21-12-21 )

(এতিয়া আমাৰ বি এ চি মিটিং আছে, এই মিটিংৰ লগত জড়িত সদস্য-সদস্যাসকল উপস্থিত থাকিব।)